আটাইতকৈ গুৰুত্বপূৰ্ণ নিয়ম আৰু চৰ্তাৱলী

IDBI বেংক ক্ৰেডিট কাৰ্ড

"আটাইতকৈ গুৰুত্বপূৰ্ণ নিবন্ধন আৰু চৰ্তাৱলী" (MITC) IDBI বেংকৰ সকলো ক্ৰেডিট কাৰ্ড, কাৰ্ডৰ সদস্য, আবেদনকাৰী, গ্ৰাহক তথা বেংকৰ ক্ৰেডিট কাৰ্ড প্ৰডাক্টৰ প্ৰতি আগ্ৰহী সাধাৰণ জনতাৰ বাবে প্ৰযোজ্য। বেংকৰ ইচ্ছানুসৰি আৰু সময়ে সময়ে প্ৰযোজ্য হোৱা আইন অনুসৰি MITC সলনি হ'ব পাৰে। এই চৰ্তাৱলীসমূহ অতিৰিক্ত হিচাপে গণ্য কৰা হ'ব আৰু ইয়াক কাৰ্ডধাৰকৰ চুক্তিৰ চৰ্তাৱলীৰ সৈতে পঢ়িব লাগিব। যদি MITC আৰু কাৰ্ডধাৰকৰ চুক্তিৰ মাজত কোনো অমিল থাকে, তেন্তে অন্যথা উল্লেখ নকৰিলে কাৰ্ডধাৰকৰ চুক্তিয়েহে প্ৰাধান্য পাব।

ইয়াত ব্যৱহাৰ কৰা যিবোৰ শব্দৰ সংজ্ঞা দিয়া হোৱা নাই, সেইবোৰৰ অৰ্থ কাৰ্ডধাৰকৰ চুক্তিত দিয়া অনুসৰি হ'ব।

1. <u>মাচুল আৰু অধিমূল্যৰ সময়সূচী</u>

a) <u>যোগদানৰ মাচুল আৰু বাৰ্ষিক সদস্যপদৰ মাচুল</u>

প্ৰাথমিক আৰু এড-অন ক্ৰেডিট কাৰ্ডৰ ক্ষেত্ৰত যোগদানৰ মাচুল আৰু বাৰ্ষিক সদস্যপদৰ মাচুল প্ৰযোজ্য হ'ব। কাৰ্ডধাৰকয়ে যিটো অফাৰৰ অধীনত IDBI বেংকৰ ক্ৰেডিট কাৰ্ড গ্ৰহণ কৰিছে, তাৰ ওপৰত নিৰ্ভৰ কৰি এই মাচুলসমূহ ভিন ভিন হ'ব পাৰে। এড-অন কাৰ্ডধাৰকৰ বাবে প্ৰযোজ্য মাচুলসমূহ মিলাই এই সমুদায় মাচুল কাৰ্ড জাৰি কৰা বা নবীকৰণৰ সময়ত কাৰ্ডধাৰকৰ ক্ৰেডিট কাৰ্ড একাউণ্টত ধাৰ্য কৰা হ'ব আৰু ইয়াৰ উল্লেখ সেই মাহটোৰ মাহেকীয়া ক্ৰেডিট কাৰ্ড ষ্টেটমেণ্টত পোৱা যাব। ক্ৰেডিট কাৰ্ডখন বন্ধ কৰি দিলে মাচুলৰ কোনো ধন ওভতাই দিয়া নহ'ব। বৰ্তমানৰ মাচুলসমূহৰ বিষয়ে লগতে সংলগ্ন কৰা মাচুল আৰু অধিমূল্যৰ সময়সূচীত উল্লেখ কৰা হৈছে।

b) <u>নগদ অগ্ৰিম মাচুল</u>

কাৰ্ডধাৰকগৰাকীয়ে ভাৰতৰ লগতে বিদেশৰো IDBI বেংক বা অন্য যিকোনো ATMৰ পৰা 24 ঘণ্টাই নগদ ধন এক্সেছ কৰিব পাৰিব। এনে প্ৰতিটো লেনদেনৰ ক্ষেত্ৰত নগদ অগ্ৰিম অন্তৰ্ভুক্ত কৰাৰ সময়ত লেনদেনৰ পৰিমাণৰ 2.5% অথবা 500 টকা, যিটোৱেই অধিক হয়, সেইটো লেনদেন মাচুল হিচাপে ধাৰ্য কৰা হ'ব আৰু পৰৱৰ্তী মাহেকীয়া ষ্টেটমেণ্টত কাৰ্ডধাৰকৰ নামত বিল কৰা হ'ব। IDBI বেংকৰ সম্পূৰ্ণ নিজা সিদ্ধান্তৰ ভিত্তিত এই লেনদেন মাচুল সলনি হ'ব পাৰে। ইয়াৰ উপৰি, নগদ অগ্ৰিম লেনদেনৰ ক্ষেত্ৰত ধন উলিওৱাৰ তাৰিখৰ পৰাই দৈনিক বাকী থকা ধনৰ ওপৰত চলিত নিৰিখত এক বিত্তীয় মাচুলো প্ৰযোজ্য হ'ব। এই বিত্তীয় মাচুল বিলিং চক্ৰৰ শেষৰ দিনটোত ক্ৰেডিট কাৰ্ড একাউণ্টৰ পৰা কাটি নিয়া হ'ব।

c) <u>অধিমূল্য</u>

(i) IDBI বেংকৰ দ্বাৰা কাৰ্ড সদস্যগৰাকীক প্ৰদান কৰা নিৰ্দিষ্ট সেৱাসমূহৰ বাবে অথবা কাৰ্ড সদস্যগৰাকীয়ে তেওঁৰ কাৰ্ড একাউণ্টৰ সন্দৰ্ভত কৰা ত্ৰুটিৰ বাবে সময়ৰ লগে লগে প্ৰযোজ্য হ'ব পৰা মাচুল আৰু অধিমূল্যসমূহ কাৰ্ড সদস্যগৰাকীয়ে পৰিশোধ কৰিব লাগিব।

(ii) IDBI বেংকৰ ওচৰত গ্ৰাহকক যথোচিত জাননী দি, সময়ে সময়ে যিকোনো মাচুল আৰু অধিমূল্য সলনি কৰাৰ অথবা প্ৰয়োজন সাপেক্ষে নতুন মাচুল বা অধিমূল্য আৰম্ভ কৰাৰ অধিকাৰ থাকিব।

(iii) অনুগ্ৰহ কৰি মন কৰিব যে আমাৰ সকলো মাচুল আৰু অধিমূল্যৰ লগতে চলিত পৰোক্ষ কৰৰ অধীনত কৰযোগ্য আন যিকোনো পৰিমাণৰ ধনৰ বিপৰীতে পণ্য আৰু সেৱা কৰ (GST) সহ প্ৰযোজ্য পৰোক্ষ কৰসমূহ আদায় কৰা হ'ব।

(iv) নিৰ্ধাৰিত তাৰিখৰ ভিতৰত নিম্নতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ নকৰিলে পলমকৈ কৰা পৰিশোধৰ মাচুল প্ৰযোজ্য হ'ব।

(v) ক্ৰেডিটৰ নিৰ্ধাৰিত সীমা অতিক্ৰম কৰিলে অতিৰিক্ত সীমাৰ মাচুল প্ৰযোজ্য হ'ব।

(vi) সকলো বিদেশী মুদ্ৰাৰ লেনদেনৰ বাবে ব্যৱহৃত বিনিময় হাৰ Visa/MasterCard/Rupay আৰু IDBI বেংকৰ দ্বাৰা নিৰ্ধাৰণ কৰা হ'ব আৰু এইটো কাৰ্ডধাৰকৰ বাবে বাধ্যতামূলক হ'ব। সকলো আন্তঃৰাষ্ট্ৰীয় লেনদেনৰ ক্ষেত্ৰত আন্তঃমুদ্ৰা সলনিৰ হাৰৰ উপৰিও 3.5% মাৰ্ক-আপ মাচুল ধাৰ্য কৰা হ'ব।

d) <u>সূতবিহীন অৱধি</u>

নিৰ্দিষ্ট ক্ৰেডিট কাৰ্ডৰ ওপৰত প্ৰযোজ্য আঁচনি (অনুগ্ৰহ কৰি মাচুল আৰু অধিমূল্যৰ সময়সূচী চাওক) আৰু মাৰ্চেণ্টৰ দ্বাৰা দাবী দাখিলৰ ওপৰত নিৰ্ভৰ কৰি সূতবিহীন ঋণৰ অৱধি 18-ৰ পৰা 48 দিনলৈ হ'ব পাৰে। অৱশ্যে, যদিহে যোৱা মাহৰ বাকী থকা সমুদায় ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰা হোৱা নাই অথবা কাৰ্ড সদস্যগৰাকীয়ে ATMৰ পৰা নগদ ধন উলিয়াইছে, তেন্তে এই সুবিধা প্ৰযোজ্য নহ'ব।

উদাহৰণ স্বৰূপে: বিগত মাহৰ ষ্টেটমেণ্টৰ মুঠ পৰিশোধ কৰিবলগীয়া ধন যদি আপুনি নিৰ্ধাৰিত তাৰিখৰ ভিতৰত পৰিশোধ কৰিছে, তেন্তে 21 জুনৰ পৰা 20 জুলাই পৰ্যন্ত অৱধিৰ এখন ষ্টেটমেণ্টৰ বাবে পৰিশোধৰ অন্তিম তাৰিখ হ'ব 07 আগষ্ট। এই ক্ষেত্ৰত সূতবিহীন অৱধি হ'ব:

1. 21 জুন তাৰিখে কৰা এটা ক্ৰয়ৰ বাবে সূতবিহীন অৱধি হ'ব 21 জুনৰ পৰা 07 আগষ্টলৈ অৰ্থাৎ 48 দিন।
2. 14 জুলাই তাৰিখে কৰা এটা ক্ৰয়ৰ বাবে সূতবিহীন অৱধি হ'ব 14 জুলাইৰ পৰা 07 আগষ্টলৈ অৰ্থাৎ 25 দিন। গতিকে, ক্ৰয় কৰা তাৰিখৰ ওপৰত নিৰ্ভৰ কৰি সূতবিহীন অৱধি ভিন ভিন হ'ব পাৰে। অৱশ্যে, যদি বিগত মাহৰ মুঠ পৰিশোধ কৰিবলগীয়া ধন নিৰ্ধাৰিত তাৰিখৰ ভিতৰত পৰিশোধ কৰা নহয়, তেন্তে বিনামূলীয়া ঋণৰ অৱধি বাতিল হ'ব আৰু কোনো সূতবিহীন অৱধি পোৱা নাযাব। নগদ অগ্ৰিমৰ ক্ষেত্ৰত, লেনদেন কৰা তাৰিখৰ পৰা পৰিশোধ কৰা তাৰিখলৈকে সূত ধাৰ্য কৰা হ'ব।

টোকা: মাচুল আৰু অধিমূল্যৰ সময়সূচীৰ বাবে অনুগ্ৰহ কৰি পৰিশিষ্টটো চাওক।

2. <u>ফাইনেঞ্চ/সূত/সেৱা অধিমূল্যসমূহ</u>

(i) কাৰ্ড সদস্যগৰাকীয়ে তেওঁৰ সম্পূৰ্ণ বকেয়া ধন পৰিশোধ নকৰিবলৈ সিদ্ধান্ত ল'লে আৰু কাৰ্ড সদস্যগৰাকীয়ে লোৱা সকলো নগদ অগ্ৰিমৰ ক্ষেত্ৰত, লেনদেন কৰা তাৰিখৰ পৰা সেইবোৰ ঘূৰাই নিদিয়া পৰ্যন্ত সকলো লেনদেনতে মাহিলী শতাংশ হাৰত ফাইনেঞ্চ অধিমূল্য পৰিশোধ কৰিবলগীয়া হ'ব। যদিহে ফাইনেঞ্চ অধিমূল্য প্ৰযোজ্য হয়, তেন্তে কাৰ্ডৰ সম্পূৰ্ণ বকেয়া ধন পৰিশোধ নকৰা পৰ্যন্ত এই অধিমূল্য কাৰ্ড সদস্যগৰাকীৰ একাউণ্টৰ পৰা কৰ্তন কৰা হ'ব।

(ii) নগদ অগ্ৰিমৰ ওপৰত ফাইনেঞ্চ অধিমূল্য লেনদেন কৰা তাৰিখৰ পৰা সম্পূৰ্ণ ধন পৰিশোধ নকৰা পৰ্যন্ত প্ৰযোজ্য হ'ব।

(iii) যেতিয়া গ্ৰাহকে কোনো বকেয়া ধন পৰৱৰ্তী সময়লৈ লৈ যায় বা নগদ অগ্ৰিম গ্ৰহণ কৰে, তেতিয়া দৈনিক বাকী থকা ধনৰ ওপৰত গণনা কৰা এটা ফাইনেঞ্চ অধিমূল্য, পৰৱৰ্তী সময়লৈ লৈ যোৱা বকেয়া আৰু নতুন বিলিঙৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

(iv) যদিহে এগৰাকী কাৰ্ডধাৰকয়ে IDBI বেংকৰ ক্ৰেডিট কাৰ্ডৰ চলমান ঋণৰ সুবিধা গ্ৰহণ কৰে আৰু সেইবাবে মাহিলী বিলিং ষ্টেটমেণ্টত প্ৰতিফলিত হোৱা মুঠ পৰিশোধ কৰিবলগীয়া ধনতকৈ কম পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ সিদ্ধান্ত লয়, তেন্তে সম্পূৰ্ণ বকেয়া ধনৰ ওপৰত ফাইনেঞ্চ অধিমূল্য ধাৰ্য কৰা হ'ব আৰু বিগত বকেয়া ধন সম্পূৰ্ণৰূপে পৰিশোধ নকৰা পৰ্যন্ত সকলো নতুন লেনদেনৰ ক্ষেত্ৰতো ফাইনেঞ্চ অধিমূল্য প্ৰযোজ্য হ'ব।

(v) যদিহে পৰিশোধৰ অন্তিম তাৰিখৰ ভিতৰত ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰা নহয়, তেন্তে পলমকৈ পৰিশোধ কৰাৰ অধিমূল্য প্ৰযোজ্য হ'ব। ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন হ'ল ষ্টেটমেণ্টত উল্লেখ কৰা পৰিমাণ। পলমকৈ পৰিশোধ কৰাৰ অধিমূল্য পৰিহাৰ কৰিবলৈ, পৰিশোধৰ অন্তিম তাৰিখত বা তাৰ আগতে IDBI বেংকৰ কাৰ্ড একাউণ্টত পৰিষ্কাৰ ধন জমা হ'ব লাগিব। পলমকৈ পৰিশোধ কৰাৰ অধিমূল্যসমূহ তলত দিয়া ধৰণে প্ৰযোজ্য হ'ব

বিলম্বিত পৰিশোধৰ মাচুল (প্ৰতিটো উপলক্ষত, বকেয়া ধনৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি)	< = ₹500 – শূন্য > ₹500 ৰ পৰা < = ₹5000লৈকে - ₹400 > ₹5000 ৰ পৰা < = ₹10000লৈকে - ₹500 > ₹10000 ৰ পৰা < = ₹20000লৈকে - ₹750 > ₹20000 - ₹950

(vi) ঋণৰ সীমা অতিক্ৰম কৰাৰ অধিমূল্য (Over limit charges) ঋণৰ সীমাতকৈ অধিক হোৱা মুঠ বকেয়া ধনৰ ওপৰত 2.5% হাৰত প্ৰযোজ্য হ’ব, যিটো সৰ্বনিম্ন 500 টকা হ’ব।
তলত দিয়া উদাহৰণটোৱে বিভিন্ন অধিমূল্যসমূহ গণনা কৰাৰ পদ্ধতিটো সূচাব -

<u>উদাহৰণ 1: খুচুৰা ক্ৰয়ৰ ওপৰত সূত/সেৱা অধিমূল্য (বকেয়া ধনৰ আংশিক পৰিশোধ)</u>

ধৰি লওক যে আপুনি পূৰ্বৰ সকলো বকেয়া সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ IDBI বেংকৰ ক্ৰেডিট কাৰ্ডত কোনো বকেয়া ধন বাকী নাই। আপোনাৰ ষ্টেটমেণ্টৰ তাৰিখ প্ৰতি মাহৰ 20 তাৰিখ। আপুনি আপোনাৰ কাৰ্ড একাউণ্টত কৰা লেনদেনৰ তালিকা তলত দিয়া ধৰণৰ

তাৰিখ	তাৰিখ	পৰিমান
10 এপ্ৰিল	ঘৰুৱা সামগ্ৰী ক্ৰয়	₹15,000/-
15 এপ্ৰিল	বস্ত্ৰ আৰু আনুষংগিক সামগ্ৰী ক্ৰয়	₹5,000/-
20 এপ্ৰিল	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = ₹20,000/- নূন্যতম পৰিশোধ কৰিবলগীয়া ধন = ₹1,000/-
08 মে’	পৰিশোধৰ দেনা তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = ₹20,000/- নূন্যতম পৰিশোধ কৰিবলগীয়া ধন = ₹1,000/-
12 মে’	কাৰ্ড একাউণ্টত পৰিশোধ কৰা ধন (ইয়াত পলমকৈ পৰিশোধ কৰাৰ অধিমূল্য প্ৰযোজ্য হ’ব)	₹2,000 (ক্ৰেডিট)
14 মে’	গেলামাল ক্ৰয়	₹1,000/-
15 মে’	কাৰ্ড একাউণ্টত পৰিশোধ কৰা ধন	₹15,000 (ক্ৰেডিট)

গতিকে, 20 মে’ তাৰিখৰ ষ্টেটমেণ্টত আপুনি পৰিশোধ কৰিবলগীয়া মুঠ ধনৰ অংশসমূহ তলত দিয়া ধৰণে প্ৰতিফলিত হ’ব:

গণনা কৰা সূত = (বকেয়া ধন x 2.90%* প্ৰতি মাহে x 12 মাহ x দিনৰ সংখ্যা) / 365 গতিকে,

(a) 10 এপ্ৰিলৰ পৰা 11 মে’লৈ (অৰ্থাৎ 32 দিনৰ বাবে) 15000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 457.64 টকা 12 মে’ৰ পৰা 14 মে’লৈ (অৰ্থাৎ 3 দিনৰ বাবে) 13000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 37.18 টকা 15 এপ্ৰিলৰ পৰা 14 মে’লৈ (অৰ্থাৎ 30 দিনৰ বাবে) 5000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 143.01 টকা 15 মে’ৰ পৰা 20 মে’লৈ (অৰ্থাৎ 5 দিনৰ বাবে) 3000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 14.30 টকা

14 মে’ৰ পৰা 20 মে’লৈ (অৰ্থাৎ 6 দিনৰ বাবে) 1000 টকাৰ ওপৰত (নতুন খৰচৰ ওপৰত 2.90% প্ৰতি মাহে

হাৰত) গণনা কৰা সূত = 5.72 টকা গতিকে মুঠ গণনা কৰা সূত হ'ল 657.85 টকা

(b) পলমকৈ পৰিশোধ কৰাৰ অধিমূল্য = 750 টকা

(c) সূত আৰু অন্যান্য অধিমূল্যৰ @18% GST = 253.41 টকা

(d) মুঠ বকেয়া মূল ধন = 4000 টকা (1000 টকা নতুন খৰচ + যোৱা মাহৰ বিলিং অৱধিৰ পৰা বাকী থকা 3000 টকা)।

(e) গতিকে মুঠ পৰিশোধ কৰিবলগীয়া ধন = (a) + (b) + (c) + (d) = 5661.26 টকা

উদাহৰণ 2: খুচুৰা ক্ৰয়ৰ ওপৰত সূত/সেৱা অধিমূল্য (নিৰ্ধাৰিত তাৰিখৰ পিছত সম্পূৰ্ণ ধন পৰিশোধ কৰিলে)

ধৰি লওক যে আপুনি পূৰ্বৰ সকলো বকেয়া ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ IDBI বেংকৰ ক্ৰেডিট কাৰ্ডত কোনো বকেয়া ধন বাকী নাই। আপোনাৰ ষ্টেটমেণ্টৰ তাৰিখ প্ৰতি মাহৰ 20 তাৰিখ। আপোনাৰ কাৰ্ড একাউণ্টত কৰা লেনদেনৰ তালিকা তলত দিয়া ধৰণৰ:

তাৰিখ	**বিৱৰণসমূহ**	**পৰিমাণ**
এপ্ৰিল 10	ঘৰুৱা সামগ্ৰী ক্ৰয়	₹15,000/-
এপ্ৰিল 15	বস্ত্ৰ আৰু আনুষংগিক সামগ্ৰী ক্ৰয়	₹5,000/-
এপ্ৰিল 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = ₹20,000/- নূন্যতম পৰিশোধ কৰিবলগীয়া ধন = ₹1,000/-
মে' 08	পৰিশোধৰ নিৰ্ধাৰিত তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = ₹20,000/- নূন্যতম পৰিশোধ কৰিবলগীয়া ধন = ₹1,000/-
মে' 14	গেলামালৰ ক্ৰয়	₹1,000/-
মে' 15	কাৰ্ড একাউণ্টত পৰিশোধ	₹20,000/- (ক্ৰেডিট)

গতিকে, 20 মে' তাৰিখৰ ষ্টেটমেণ্টত আপুনি পৰিশোধ কৰিবলগীয়া মুঠ ধনৰ উপাদানসমূহ তলত দিয়া ধৰণে প্ৰতিফলিত হ'ব:

(a) গণনা কৰা সূত = (বকেয়া ধন x 2.90%* প্ৰতি মাহে x 12 মাহ x দিনৰ সংখ্যা) / 365 গতিকে,

10 এপ্ৰিলৰ পৰা 14 মে'লৈ (অৰ্থাৎ 35 দিনৰ বাবে) 15000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 500.55 টকা

15 এপ্ৰিলৰ পৰা 14 মে'লৈ (অৰ্থাৎ 30 দিনৰ বাবে) 5000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 143.01 টকা

14 মে'ৰ পৰা 20 মে'লৈ (অৰ্থাৎ 6 দিনৰ বাবে) 1000 টকাৰ ওপৰত 2.90% প্ৰতি মাহে হাৰত গণনা কৰা সূত = 5.72 টকা

গতিকে মুঠ সূত হ'ল 649.28 টকা

(b) পলমকৈ পৰিশোধ কৰাৰ অধিমূল্য = 750 টকা

(c) সূত আৰু অন্যান্য অধিমূল্যৰ @ 18% GST = 251.87 টকা

(d) মুঠ বকেয়া মূল ধন = 1000 টকা (1000 টকা নতুন খৰচ)।

(e) গতিকে মুঠ পৰিশোধ কৰিবলগীয়া ধন = (a) + (b) + (c) + (d) = 2651.15 টকা

<u>উদাহৰণ 3 - নগদ অগ্ৰিম লেনদেনৰ ওপৰত সূত/সেৱা অধিমূল্য:</u>

ধৰি লওক যে আপুনি পূৰ্বৰ সকলো বকেয়া ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ IDBI বেংকৰ ক্ৰেডিট কাৰ্ডত কোনো বকেয়া ধন বাকী নাই। আপোনাৰ ষ্টেটমেণ্টৰ তাৰিখ প্ৰতি মাহৰ 20 তাৰিখ। আপোনাৰ কাৰ্ড একাউণ্টত কৰা লেনদেনৰ তালিকা তলত দিয়া ধৰণৰ:

গণনা কৰা সূত = (নগদ ধন উলিওৱা x 2.90%* প্ৰতি মাহে x 12 মাহ x দিনৰ সংখ্যা) / 365

চক্ৰ **1: 21** মাৰ্চৰ পৰা **20** এপ্ৰিললৈ**কে**

তাৰিখ	**লেনদেনৰ প্ৰকাৰ**	**পৰিমাণ**	**বিৱৰণ**
এপ্ৰিল 10	ঘৰুৱা সামগ্ৰী ক্ৰয়	₹15,000/-	ক্ৰেডিট কাৰ্ডত কৰা ক্ৰয়সমূহ
এপ্ৰিল 15	বস্ত্ৰ আৰু আনুষংগিক সামগ্ৰী ক্ৰয়	₹5,000/-	ক্ৰেডিট কাৰ্ডত কৰা ক্ৰয়সমূহ
এপ্ৰিল 18	নগদ ধন উলিওৱা	₹10,000/-	ক্ৰেডিট কাৰ্ডত উলিওৱা নগদ ধন
এপ্ৰিল 18	নগদ অগ্ৰিম মাচুল	₹500/-	10,000*2.5% = 250 টকা যিটো 500 টকাতকৈ কম
এপ্ৰিল 18	নগদ অগ্ৰিম মাচুলৰ ওপৰত GST	₹90/-	₹500*18% = ₹90
এপ্ৰিল 20	সুত	₹19.07	নগদ ধন উলিওৱাৰ ওপৰত সূত 18 এপ্ৰিলৰ পৰা 20 এপ্ৰিললৈ (অৰ্থাৎ 2 দিনৰ বাবে) 10,000 টকাৰ @ 2.90% প্ৰতি মাহে = 19.07 টকা
এপ্ৰিল 20	সুতৰ ওপৰত GST	₹3.43	₹19.07*18% = ₹3.43
এপ্ৰিল 20	ষ্টেটমেণ্টৰ তাৰিখ	₹30,612.50	মুঠ পৰিশোধ কৰিবলগীয়া ধন

সেয়েহে, 20 এপ্ৰিল তাৰিখৰ ষ্টেটমেণ্টত, আপুনি পৰিশোধ কৰিবলগীয়া মুঠ ধনৰ উপাদানসমূহ তলত দিয়া ধৰণে প্ৰতিফলিত হ'ব:
20 এপ্ৰিলত মুঠ পৰিশোধ কৰিবলগীয়া ধন = 30,612.50 টকা আৰু ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 2112.50 টকা

চক্ৰ 2: 21 এপ্ৰিলৰ পৰা 20 মে'লৈ

ধৰি লওক, যদি TAD পৰিশোধ 05 মে'ত কৰা হয়, তেন্তে 20 মে'ত সৃষ্টি হোৱা ষ্টেটমেণ্টত তলত দিয়া উপাদানসমূহ থাকিব:

তাৰিখ	**লেনদেনৰ প্ৰকাৰ**	**পৰিমাণ**	**বিৱৰণ**
প্ৰাৰম্ভিক বেলেঞ্চ		₹30,612.50	পূৰ্বৱৰ্তী ষ্টেটমেণ্টৰ পৰা সামৰণি বেলেঞ্চ
মে' 5	পৰিশোধ	₹30,612.50	পূৰ্বৱৰ্তী মুঠ পৰিশোধ কৰিবলগীয়া ধনৰ পৰিশোধ
মে' 14	ঘৰুৱা সামগ্ৰীৰ ক্ৰয়	₹1,000/-	ক্ৰেডিট কাৰ্ডত কৰা ক্ৰয়সমূহ
মে' 20	সুত	₹133.48	নগদ ধন উলিওৱাৰ ওপৰত সূত 10,000 টকা @ 2.90% প্ৰতি মাহে 21 এপ্ৰিলৰ পৰা 5 মে'লৈ (অৰ্থাৎ 14 দিনৰ বাবে) = 133.48 টকা
মে' 20	সুতৰ ওপৰত GST	₹24.03	₹133.48*18%= ₹24.03
মে' 20	ষ্টেটমেণ্টৰ তাৰিখ	₹1157.51/-	মুঠ পৰিশোধ কৰিবলগীয়া ধন

অনুগ্ৰহ কৰি মন কৰিব যে IDBI বেংকৰ বিবেচনাত ফাইনেঞ্চ অধিমূল্য আৰু অন্যান্য অধিমূল্যসমূহ সলনি হ'ব পাৰে। লগতে এয়াও মন কৰিব যে যদি কাৰ্ডৰ সদস্যজনে একাউণ্টৰ ঋণৰ সীমা অতিক্ৰম কৰে, তেন্তে একাউণ্টত সীমা অতিক্ৰম কৰাৰ অধিমূল্য আৰোপ কৰা হ'ব। নিৰ্দিষ্ট ক্ষেত্ৰত আৰোপ হ'বলগীয়া অধিমূল্যসমূহৰ তালিকাৰ বাবে, অনুগ্ৰহ কৰি এই নথিৰ শেষত উপলব্ধ মাচুল আৰু অধিমূল্যৰ সময়সূচী চাওক।

***সূতৰ হাৰ কাৰ্ডৰ ভেদে বেলেগ বেলেগ হয়।**

সীমা

(i) **ঋণৰ সীমা** – IDBI বেংকে নিজৰ বিবেচনাত কাৰ্ডৰ সদস্যজনৰ সীমাসমূহ অৰ্থাৎ ঋণৰ সীমা আৰু নগদ ধন উলিওৱাৰ সীমা নিৰ্ধাৰণ কৰিব। (এড-অন কাৰ্ডৰ সদস্যসকলেও একেই সীমা ব্যৱহাৰ কৰিব)। এই সীমাসমূহৰ বিষয়ে কাৰ্ডৰ সদস্যজনক আদৰণি পত্ৰ আৰু মাহেকীয়া ষ্টেটমেণ্টত জনোৱা হয়।

(ii) **উপলব্ধ ঋণৰ সীমা** - ষ্টেটমেণ্ট সৃষ্টি কৰাৰ সময়ত উপলব্ধ থকা ঋণৰ সীমা মাহেকীয়া ষ্টেটমেণ্টৰ এটা অংশ হিচাপে প্ৰদান কৰা হয়। IDBI বেংকে সময়ে সময়ে কাৰ্ডৰ সদস্যৰ একাউণ্ট পৰ্যালোচনা কৰিব আৰু আভ্যন্তৰীণ চৰ্তৰ ভিত্তিত কাৰ্ডৰ সদস্যৰ ঋণৰ সীমা হ্ৰাস কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিব। যিসকল কাৰ্ডৰ সদস্যই নিজৰ ঋণৰ সীমা বৃদ্ধি কৰিব বিচাৰে, তেওঁলোকে বেংকলৈ লিখি আৰু তেওঁলোকৰ আয় ঘোষণা কৰা বিত্তীয় নথিপত্ৰ প্ৰদান কৰি তেনে কৰিব পাৰে। বেংকে নিজৰ বিবেচনাত আৰু প্ৰদান কৰা তেনে নতুন নথিপত্ৰৰ ভিত্তিত কাৰ্ডৰ সদস্যৰ ঋণৰ সীমা বৃদ্ধি কৰিব পাৰে।

(iii) **নগদ ধন উলিওৱাৰ সীমা** – গ্ৰাহকে বাছনি কৰা কাৰ্ডৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি নগদ ধন উলিওৱাৰ সীমা ভিন্ন হ'ব পাৰে। নগদ ধন উলিওৱাৰ সীমা 20% ৰ পৰা 70% লৈকে হ'ব পাৰে।

<u>বিলিং আৰু পৰিশোধসমূহ</u>

কাৰ্ডধাৰকৰ একাউণ্টত কৰা পৰিশোধসমূহ তলত দিয়া ক্ৰমত নিষ্পত্তি কৰা হ'ব

1. সূত 2. কৰ 3. মাচুল 4. নগদ ধন 5. EMI 6. ক্ৰয়সমূহ

(a) IDBI বেংকে কাৰ্ডৰ সদস্যজনক যোৱা ষ্টেটমেণ্টৰ পৰা কাৰ্ডৰ সদস্যৰ একাউণ্টত জমা হোৱা পৰিশোধ আৰু ডেবিট হোৱা লেনদেনসমূহ দেখুৱাই এখন মাহেকীয়া ষ্টেটমেণ্ট প্ৰেৰণ কৰিব। বেংকে প্ৰতি মাহে এক পূৰ্বনিৰ্ধাৰিত তাৰিখত কাৰ্ড একাউণ্টৰ লেনদেনৰ এখন ষ্টেটমেণ্ট বেংকৰ ৰেকৰ্ডত থকা ডাক ঠিকনা বা ই-মেইল ঠিকনালৈ প্ৰেৰণ কৰিব আৰু বেংকত পঞ্জীয়নভুক্ত ম'বাইল নম্বৰত SMS হিচাপে এখন মিনি ষ্টেটমেণ্টো প্ৰেৰণ কৰিব। অৱশ্যে, ষ্টেটমেণ্ট লাভ নকৰিলে কাৰ্ডধাৰকৰ দায়বদ্ধতা আৰু দায়িত্বসমূহ প্ৰভাৱিত নহ'ব। যদি বাকী থকা বেলেঞ্চ 50 টকাতকৈ কম হয় আৰু যোৱা ষ্টেটমেণ্টৰ পৰা বিলিঙৰ বাবে কোনো লেনদেন বাকী নাথাকে, তেন্তে কোনো ষ্টেটমেণ্ট জাৰী কৰা নহ'ব। কাৰ্ডধাৰকসকলক তেওঁলোকৰ সুবিধা অনুসৰি ক্ৰেডিট কাৰ্ডৰ বিলিং চক্ৰ সলনি কৰিবলৈ অন্ততঃ এবাৰ বিকল্প প্ৰদান কৰা হ'ব।

(b) IDBI বেংকে কাৰ্ডৰ সদস্যজনক আৱৰ্তী ঋণৰ সুবিধা প্ৰদান কৰে। কাৰ্ডৰ সদস্যজনে ষ্টেটমেণ্টত ছপা হোৱা কেৱল ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰিবলৈ বাছনি কৰিব পাৰে। বাকী থকা অনাদায়ী ধন পৰৱৰ্তী ষ্টেটমেণ্টলৈ লৈ যাব পাৰি। কাৰ্ডৰ সদস্যজনে মুঠ পৰিশোধ কৰিবলগীয়া ধন বা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনতকৈ অধিক যিকোনো অংশ পৰিশোধ কৰিবলৈও বাছনি কৰিব পাৰে। এনে পৰিশোধ ধন পৰিশোধৰ অন্তিম তাৰিখৰ আগতে কৰিব লাগে। পলমকৈ পৰিশোধ কৰাৰ অধিমূল্য পৰিহাৰ কৰিবলৈ ধন পৰিশোধৰ অন্তিম তাৰিখত বা তাৰ আগতে IDBI বেংক ক্ৰেডিট কাৰ্ড একাউণ্টত নিকা ধন জমা হ'ব লাগিব। ধন পৰিশোধৰ অন্তিম তাৰিখৰ ভিতৰত কাৰ্ড একাউণ্টত পৰিশোধ প্ৰতিফলিত হোৱাটো নিশ্চিত কৰিবলৈ কাৰ্ডৰ সদস্যসকলক অন্তিম তাৰিখৰ বহু আগতেই স্থানীয় চেক জমা দিবলৈ পৰামৰ্শ দিয়া হয়। পূৰ্বৱৰ্তী ষ্টেটমেণ্টৰ যিকোনো পৰিশোধ নকৰা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন কাৰ্ডৰ সদস্যৰ বৰ্তমানৰ ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ সৈতে যোগ কৰা হ'ব, ইয়াৰ উপৰি কাৰ্ডৰ সদস্যৰ ঋণৰ সীমা অতিক্ৰম কৰা অনাদায়ী ধনখিনিও যোগ কৰা হ'ব।

<u>ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন (MAD) গণনাৰ উদাহৰণ:</u>

কাৰ্ডৰ সদস্যই কৰা সকলো অধিমূল্য লগে লগে পৰিশোধ কৰাৰ দায়বদ্ধতাৰ কোনো ক্ষতি নোহোৱাকৈ, কাৰ্ডৰ সদস্যজনে অন্তিম তাৰিখৰ ভিতৰত ষ্টেটমেণ্টত উল্লেখ কৰা কেৱল ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন (MAD) পৰিশোধ কৰাৰ বিকল্প বাছনি কৰিব পাৰে। ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন হ'ব অনাদায়ী ধনৰ 5% বা IDBI বেংকে নিজৰ বিবেচনাত নিৰ্ধাৰণ কৰা অন্য কোনো পৰিমাণ। কিস্তিবোৰৰ জৰিয়তে কোনো ধন পৰিশোধ কৰাৰ ক্ষেত্ৰত,

ষ্টেটমেণ্টৰ সময়ছোৱাত পৰিশোধ কৰিবলগীয়া কিস্তিৰ ধন ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ সৈতে যোগ কৰা হ’ব। যদি মুঠ অনাদায়ী ধন ঋণৰ সীমা বা নগদ ধনৰ সীমাতকৈ অধিক হয়, তেন্তে ঋণৰ সীমা বা নগদ ধনৰ সীমা যিমান পৰিমাণে অতিক্ৰম কৰিছে সেই ধনখিনিও ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনত অন্তৰ্ভুক্ত কৰা হ’ব। ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনত পূৰ্বৱৰ্তী ষ্টেটমেণ্টৰ পৰিশোধ নকৰা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন (যদি থাকে) অন্তৰ্ভুক্ত থাকিব। যদি ধন পৰিশোধৰ অন্তিম তাৰিখৰ ভিতৰত মুঠ পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰা নহয়, তেন্তে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰিলেও সুত আৰোপ কৰা হ’ব। যদি গ্ৰাহকে ক্ৰেডিট কাৰ্ডৰ ধন পৰিশোধৰ বাবে অটো ডেবিট সুবিধাৰ বাবে পঞ্জীয়ন কৰিছে আৰু ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ বিকল্প বাছনি কৰিছে, তেন্তে গ্ৰাহকে অন্তিম তাৰিখৰ আগতে কোনো ধন পৰিশোধ নকৰিলে অন্তিম তাৰিখত সেইটো কাৰ্যকৰী কৰা হ’ব। যদি গ্ৰাহকে অন্তিম তাৰিখৰ আগতে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনতকৈ কম ধন পৰিশোধ কৰিছে, তেন্তে বাকী থকা পাৰ্থক্যৰ ধনখিনি ডেবিট কৰা হ’ব। যদি গ্ৰাহকে অন্তিম তাৰিখৰ আগতে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ সমান বা তাতকৈ অধিক ধন পৰিশোধ কৰিছে, তেন্তে গ্ৰাহকৰ দায়বদ্ধতা থকা একাউণ্টৰ পৰা কোনো অতিৰিক্ত ধন ডেবিট কৰা নহ’ব।

যদি আপুনি 5,000 টকা খৰচ কৰে আৰু প্ৰতি মাহে ঠিক ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন (ন্যূনতম 100 টকা পৰিশোধৰ চৰ্তত) ওভতাই দিয়ে, তেন্তে মুঠ ধন ওভতাই দিবলৈ আপোনাক 6 বছৰ 6 মাহ পৰ্যন্ত সময় লাগিব। সেইবাবে আমি পৰামৰ্শ দিওঁ যে যেতিয়াই আপোনাৰ ওচৰত পৰ্যাপ্ত ধন থাকে, তেতিয়াই আপোনাৰ ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনতকৈ যথেষ্ট অধিক পৰিমাণৰ ধন ওভতাই দিব। যদি কাৰ্ডৰ সদস্যজনে কাৰ্ডৰ অনাদায়ী ধনৰ তুলনাত অধিক ধন পৰিশোধ কৰে, তেন্তে কাৰ্ড একাউণ্টত ক্ৰেডিট বেলেঞ্চ থাকিব। এইটো কাৰ্ডৰ পৰৱৰ্তী লেনদেনসমূহৰ বিপৰীতে সমাযোজন কৰা হ’ব। অৱশ্যে, এই অতিৰিক্ত ঋণৰ পৰিমাণৰ ওপৰত কোনো সুত দাবী কৰিব নোৱাৰিব।

ধৰি লওক যে আপুনি পূৰ্বৰ সকলো বকেয়া সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ ক্ৰেডিট কাৰ্ড একাউণ্টত কোনো অনাদায়ী ধন বাকী নাই, লগতে আপোনাৰ মাহেকীয়া ষ্টেটমেণ্ট প্ৰতি মাহৰ 20 তাৰিখে প্ৰস্তুত কৰা হয়।

লেনদেনৰ তাৰিখ	**প্ৰকাৰ**	**ক্ৰেডিট/ ডেবিট**	**MAD অৰিহণা**	**পৰিমাণ**
25 ছেপ্তেম্বৰ	ক্ৰয়	**ডেবিট**	5%	₹5000
1 অক্টোবৰ	বাৰ্ষিক মাচুল	**ডেবিট**	100%	₹1499
1 অক্টোবৰ	নগদ ধন উলিওৱা	**ডেবিট**	5%	₹2000
1 অক্টোবৰ	নগদ ধন উলিওৱাৰ মাচুল	**ডেবিট**	100%	₹500
20 অক্টোবৰ	নগদ ধন উলিওৱাৰ ওপৰতসুত	**ডেবিট**	100%	₹38.14
20 অক্টোবৰ	GST	**ডেবিট**	100%	₹366.68

ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন (MAD) তলত দিয়া ধৰণে গণনা কৰা হ’ব:

MAD = (খুচুৰা খৰচ + নগদ অগ্ৰিম ধন)ৰ 5% + 100% মাচুল/অধিমূল্য + 100% সূত / ফাইনেঞ্চ অধিমূল্য + EMI পৰিমাণ + GST

MAD = (5,000 টকা + 2,000 টকা)ৰ 5% + (1,499 টকা + 500 টকা)ৰ 100% + (38.14 টকা + 366.68 টকা)ৰ 100% = 2,753.82 টকা

ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন হ’ব 2,753.82 টকা

ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ নকৰাৰ পৰিণামসমূহ

যদি গ্ৰাহকজনে অন্তিম তাৰিখত বা তাৰ আগতে অন্ততঃ ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰাত ব্যৰ্থ হয়, তেন্তে গ্ৰাহকজনৰ পৰা প্ৰযোজ্য হাৰত পলমকৈ পৰিশোধ কৰাৰ মাচুল আৰু ফাইনেঞ্চ/সেৱা অধিমূল্য লোৱা হ’ব। ইয়াৰ উপৰি, ধন পৰিশোধৰ অন্তিম তাৰিখৰ পৰা পলম হোৱা দিনৰ সঠিক সংখ্যা আৰু সেই অনুপাতে থকা ধনৰ পৰিমাণ উল্লেখ কৰি ক্ৰেডিট ইনফৰ্মেচন কোম্পানীসমূহৰ (CICs) ওচৰত গ্ৰাহকজনক ‘ডিফল্টাৰ’ হিচাপে ৰিপ’ৰ্ট কৰা হ’ব।

উদাহৰণ 1: অন্তিম তাৰিখৰ পাছত ন্যুনতম পৰিশোধ কৰিবলগীয়া ধনৰ পৰিশোধ

তলত দিয়া উদাহৰণটোৱে ধন পৰিশোধৰ অন্তিম তাৰিখৰ ভিতৰত ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ নকৰিলে কেনেকৈ বিভিন্ন মাচুল গণনা কৰা হয়, সেই পদ্ধতিটো সূচাব। ধৰি লওক যে আপুনি পূৰ্বৰ সকলো দেনা সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ IDBI বেংক ক্ৰেডিট কাৰ্ডত কোনো অনাদায়ী ধন বাকী নাই। আপোনাৰ ষ্টেটমেণ্টৰ তাৰিখ প্ৰতি মাহৰ 20 তাৰিখ। আপোনাৰ কাৰ্ড একাউণ্টত কৰা লেনদেনসমূহৰ তালিকা তলত দিয়া হ'ল।

তাৰিখ	বিৱৰণ	পৰিমাণ
এপ্ৰিল 10	ঘৰুৱা সামগ্ৰী ক্ৰয়	₹15,000/-
April 15	পোছাক আৰু আনুষংগিক সামগ্ৰী ক্ৰয়	₹5,000/-
April 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 20,000/- টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 1,000/- টকা
May 08	ধন পৰিশোধৰ অন্তিম তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 20,000/- টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 1,000/- টকা
May 12	কাৰ্ড একাউণ্টত ধন পৰিশোধ	₹2,000/- (ক্ৰেডিট)
May 14	গেলামাল ক্ৰয়	₹1,000/-
May 15	কাৰ্ড একাউণ্টত ধন পৰিশোধ	₹15,000/- (ক্ৰেডিট)
May 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = ₹5661.26 ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = ₹1861.26

যিহেতু গ্ৰাহকজনে অন্তিম তাৰিখত বা তাৰ আগতে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰা নাই, গতিকে গ্ৰাহকজনক সকলো CICs-ৰ ওচৰত 'ডিফল্টাৰ' হিচাপে ৰিপ'ৰ্ট কৰা হ'ব। ইয়াৰ উপৰি, গ্ৰাহকজনৰ ওপৰত তলত দিয়া মাচুলসমূহ আৰোপ কৰা হ'ব:

পলমকৈ পৰিশোধ কৰাৰ মাচুল - 750 টকা + 135 টকা (18% GST) = 885 টকা ফাইনেঞ্চ/সেৱা অধিমূল্য - 10 এপ্ৰিলৰ পৰা 11 মে'লৈ (অৰ্থাৎ 32 দিনৰ বাবে) 15,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 457.64 টকা 12 মে'ৰ পৰা 14 মে'লৈ (অৰ্থাৎ 3 দিনৰ বাবে) 13,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 37.18 টকা 15 এপ্ৰিলৰ পৰা 14 মে'লৈ (অৰ্থাৎ 30 দিনৰ বাবে) 5,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 143.01 টকা 15 মে'ৰ পৰা 20 মে'লৈ (অৰ্থাৎ 5 দিনৰ বাবে) 3,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 14.30 টকা 14 মে'ৰ পৰা 20 মে'লৈ (অৰ্থাৎ 6 দিনৰ বাবে) 1,000 টকাৰ (নতুন খৰচ) ওপৰত মাহে @2.90% হাৰত সূত = 5.72 টকা এনেদৰে মুঠ সূত হ'ল 657.85 টকা + 118.41 টকা (18% GST) = 776.26 টকা মুঠ পৰিশোধ কৰিবলগীয়া ধন = 4,000 টকা (20,000 টকা + 1,000 টকা - 2,000 টকা - 15,000 টকা) + 885 টকা + 776.26 টকা = 5,661.26 টকা

20 মে'ৰ ষ্টেটমেণ্টত ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন হ'ব খুচুৰা ক্ৰয়/অনাদায়ী বাকী ধনৰ 5% + 100% GST + 100% সূত + 100% পলমকৈ পৰিশোধ কৰাৰ মাচুল = 1,861.26 টকা (200 টকা (4,000 টকাৰ 5%) + 750 টকা + 657.85 টকা + 253.41 টকা = 1,861.26 টকা)

উদাহৰণ 2: অন্তিম তাৰিখত বা তাৰ আগতে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ পৰিশোধ (TAD পৰিশোধ কৰা হোৱা নাই)

তলত দিয়া উদাহৰণটোৱে ধন পৰিশোধৰ অন্তিম তাৰিখত বা তাৰ আগতে কৰা পৰিশোধ ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ সমান বা তাতকৈ অধিক হ'লে, কিন্তু মুঠ পৰিশোধ কৰিবলগীয়া ধনতকৈ কম হ'লে কেনেকৈ বিভিন্ন অধিমূল্য গণনা কৰা হয়, সেই পদ্ধতিটো সূচাব। ধৰি লওক যে আপুনি পূৰ্বৰ সকলো দেনা সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ IDBI বেংক ক্ৰেডিট কাৰ্ডত কোনো অনাদায়ী ধন বাকী নাই। আপোনাৰ ষ্টেটমেণ্টৰ তাৰিখ প্ৰতি মাহৰ 20 তাৰিখ। আপোনাৰ কাৰ্ড একাউণ্টত কৰা লেনদেনসমূহৰ তালিকা তলত দিয়া হ'ল।

তাৰিখ	বিৱৰণ	পৰিমাণ
এপ্ৰিল 10	ঘৰুৱা সামগ্ৰী ক্ৰয়	15,000/- টকা
এপ্ৰিল 15	পোছাক আৰু আনুষংগিক সামগ্ৰী ক্ৰয়	5,000/- টকা
এপ্ৰিল 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 20,000/- টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 1,000/- টকা
মে’ 01	কাৰ্ড একাউণ্টত ধন পৰিশোধ	4,000/- টকা
মে’ 08	ধন পৰিশোধৰ অন্তিম তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 16,000/- টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 0
মে’ 14	গেলামাল ক্ৰয়	1,000/- টকা
মে’ 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 17,793.16 টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 1,643.16 টকা

যিহেতু গ্ৰাহকজনে অন্তিম তাৰিখত বা তাৰ আগতে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰিছে, সেয়েহে গ্ৰাহকজনক সকলো CICsৰ ওচৰত ‘ডিফল্টাৰ’ হিচাপে ৰিপ’ৰ্ট কৰা নহ’ব। গ্ৰাহকজনৰ ওপৰত আৰোপ কৰিবলগীয়া অধিমূল্যসমূহ তলত দিয়া ধৰণৰ হ’ব:

পলমকৈ পৰিশোধ কৰাৰ

মাচুল – শূন্য :

ফাইনেঞ্চ/সেৱা অধিমূল্যসমূহ –

10 এপ্ৰিলৰ পৰা 30 এপ্ৰিললৈ (অৰ্থাৎ 21 দিনৰ বাবে) 15,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 300.33 টকা
02 মে’ৰ পৰা 20 মে’লৈ (অৰ্থাৎ 19 দিনৰ বাবে) 11,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 199.26 টকা
15 এপ্ৰিলৰ পৰা 20 মে’লৈ (অৰ্থাৎ 35 দিনৰ বাবে) 5,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 166.85 টকা
14 মে’ৰ পৰা 20 মে’লৈ (অৰ্থাৎ 6 দিনৰ বাবে) 1,000 টকাৰ ওপৰত মাহে @2.90% হাৰত সূত = 5.72 টকা
এনেদৰে মুঠ সূত হ’ল 672.16 টকা + 121.00 টকা (18% GST) = 793.16 টকা
মুঠ পৰিশোধ কৰিবলগীয়া ধন = 17,000 টকা (20,000 টকা + 1,000 টকা - 4,000 টকা) + 672.16 টকা + 121 টকা = 17,793.16 টকা

20 মে’ৰ ষ্টেটমেণ্টত ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন হ’ব খুচুৰা ক্ৰয়/অনাদায়ী বাকী ধনৰ 5% + 100% GST + 100% সূত = 1,643.16 টকা (850 টকা (17,000 টকাৰ 5%) + 672.16 টকা + 121 টকা = 1,643.16 টকা)

উদাহৰণ 3: অন্তিম তাৰিখত বা তাৰ আগতে ন্যূনতম পৰিশোধ কৰিবলগীয়া ধনৰ পৰিশোধ (TAD সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে)

তলত দিয়া উদাহৰণটোৱে ধন পৰিশোধৰ অন্তিম তাৰিখৰ ভিতৰত মুঠ পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ কৰিলে কেনেকৈ বিভিন্ন অধিমূল্য গণনা কৰা হয়, সেই পদ্ধতিটো সূচাব। ধৰি লওক যে আপুনি পূৰ্বৰ সকলো দেনা সম্পূৰ্ণৰূপে পৰিশোধ কৰিছে আৰু আপোনাৰ IDBI বেংক ক্ৰেডিট কাৰ্ডত কোনো অনাদায়ী ধন বাকী নাই। আপোনাৰ ষ্টেটমেণ্টৰ তাৰিখ প্ৰতি মাহৰ 20 তাৰিখ। আপোনাৰ কাৰ্ড একাউণ্টত কৰা লেনদেনসমূহৰ তালিকা তলত দিয়া হ’ল।

তাৰিখ	বিৱৰণ	পৰিমাণ
এপ্ৰিল 10	ঘৰুৱা সামগ্ৰী ক্ৰয়	15,000/- টকা
এপ্ৰিল 15	পোছাক আৰু আনুষংগিক সামগ্ৰী ক্ৰয়	5,000/- টকা
এপ্ৰিল 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 20,000/- টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 1,000/- টকা
মে’ 01	কাৰ্ড একাউণ্টত ধন পৰিশোধ	20,000/- টকা
মে’08	ধন পৰিশোধৰ অন্তিম তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন = 0 ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 0
মে’14	গেলামাল ক্ৰয়	1,000/- টকা
মে’ 20	ষ্টেটমেণ্টৰ তাৰিখ	মুঠ পৰিশোধ কৰিবলগীয়া ধন =1,000/- টকা ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন = 50/- টকা

20 মে’লৈকে (অৰ্থাৎ পৰৱৰ্তী ষ্টেটমেণ্টৰ তাৰিখলৈকে) কাৰ্ডত কোনো অতিৰিক্ত ধন পৰিশোধ কৰা হোৱা নাই। কাৰ্ডত মাহে 2.90% সূতৰ হাৰ বুলি ধৰি ল’লে, সূত আৰু অধিমূল্যসমূহ তলত দিয়া ধৰণে আৰোপ কৰা হ’ব:

i) সূতৰ অধিমূল্য – শূন্য ii) GST অধিমূল্য – শূন্য iii) মুঠ অনাদায়ী বাকী ধন = 1,000 টকা

গতিকে, 20 মে’ৰ ষ্টেটমেণ্টত মুঠ পৰিশোধ কৰিবলগীয়া ধন হ’ব (i) + (ii) + (iii) = 1,000 টকা

(a) যদিহে ধন পৰিশোধৰ অন্তিম তাৰিখৰ আগতে IDBI বেংক ক্ৰেডিট কাৰ্ড একাউণ্টত ধন জমা নহয়, তেন্তে বেংকে নিজৰ বিবেচনা অনুসৰি পৰৱৰ্তী ব্যৱহাৰৰ বাবে কাৰ্ডখন ব্লক কৰি দিব পাৰে।

(b) কাৰ্ডৰ অনাদায়ী ধনৰ বিপৰীতে কৰা পৰিশোধসমূহ পৰৱৰ্তী ষ্টেটমেণ্টত স্বীকাৰ কৰা হয়।

(c) যদি কাৰ্ড সদস্যই জাৰী কৰা কোনো পৰিশোধ নিৰ্দেশ পৰৱৰ্তী সময়ত অমান্য হয়, তেন্তে কাৰ্ডৰ সুবিধাসমূহ স্থগিত বা বাতিল কৰা হ’ব পাৰে আৰু বেংকৰ একমাত্ৰ বিবেচনা অনুসৰি 'অধিমূল্য আৰু মাচুলৰ সময়সূচী'ত উল্লেখ কৰা অনুসৰি কাৰ্ড একাউণ্টত এটা মাচুল আৰোপ কৰা হ’ব। এনে মাচুলৰ পৰিমাণ বেংকৰ একমাত্ৰ বিবেচনাত সলনি হ’ব পাৰে। বেংকে যিকোনো উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ অধিকাৰো সংৰক্ষিত ৰাখে।

(d) মাহেকীয়া একাউণ্ট ষ্টেটমেণ্টৰ ডুপ্লিকেট কপি বেংকে কাৰ্ড সদস্যক তেনে অনুৰোধৰ আগৰ ১২ মাহলৈকেহে প্ৰদান কৰিব, যিটো 'অধিমূল্য আৰু মাচুলৰ সময়সূচী'ত নিৰ্দিষ্ট কৰা সেৱা মাচুল পৰিশোধৰ সাপেক্ষে হ’ব আৰু এই মাচুল বেংকৰ ইচ্ছানুসাৰে সলনি হ’ব পাৰে।

(e) আপোনাৰ যোগাযোগৰ ঠিকনা / ই-মেইল ঠিকনা / ম’বাইল নম্বৰৰ কিবা পৰিৱৰ্তন হ’লে, আপুনি নিয়মীয়াকৈ আৰু সঠিক সময়ত ষ্টেটমেণ্ট লাভ কৰাটো নিশ্চিত কৰিবলৈ বেংকৰ সৈতে যোগাযোগ কৰি সেইবোৰ লগে লগে আপল’ড কৰিবলৈ পৰামৰ্শ দিয়া হ’ল।

(f) কাৰ্ড একাউণ্টৰ ধন তলত দিয়া যিকোনো পদ্ধতিৰে পৰিশোধ কৰিব পাৰি:

1. **অটো-ডেবিট সুবিধা** - আপোনাৰ IDBI বেংকৰ ছেভিংছ/কাৰেণ্ট একাউণ্টৰ পৰা প্ৰতি মাহে পোনে পোনে মুঠ পৰিশোধ কৰিবলগীয়া ধন / ন্যূনতম পৰিশোধ কৰিবলগীয়া ধন কাটিবলৈ IDBI বেংকক কৰ্তৃত্ব প্ৰদান কৰক আৰু আপোনাৰ কাৰ্ড একাউণ্টত সেই ধন জমা কৰা হ’ব।
2. **নেট বেংকিং** - IDBI বেংক নেট বেংকিঙৰ জৰিয়তে আপোনাৰ IDBI বেংক ছেভিংছ/কাৰেণ্ট একাউণ্টৰ পৰা পোনে পোনে ডেবিট কৰি ক্ৰেডিট কাৰ্ডৰ দেনা পৰিশোধ কৰক।
3. **NEFT** - আপোনাৰ IDBI বেংক ক্ৰেডিট কাৰ্ডৰ বিল অনলাইনত পৰিশোধ কৰিবলৈ NEFT সুবিধা থকা আন বেংক একাউণ্ট ব্যৱহাৰ কৰক। IFSC ক’ড "IBKL0NEFT01" ব্যৱহাৰ কৰক আৰু বেংকৰ নামত "IDBI Bank Ltd." লগতে হিতাধিকাৰীৰ একাউণ্ট নম্বৰ হিচাপে আপোনাৰ ক্ৰেডিট কাৰ্ড নম্বৰটো যোগ কৰক।
4. চেক / ড্ৰাফ্ট - আপোনাৰ চেক/ড্ৰাফ্ট IDBI বেংকৰ শাখা আৰু ATMসমূহত থকা যিকোনো ড্ৰপ বক্সত জমা কৰক। চেক/ড্ৰাফ্টখন -ৰ IDBI বেংকৰ <name as embossed on the card>. নামৰ কাৰ্ড নম্বৰ xxxx-xxxx-xxxx-xxxxৰ অনুকূলে প্ৰস্তুত কৰিব লাগে।

5. নগদ ধন - যিকোনো IDBI বেংকৰ শাখালৈ গৈ পে-ইন শ্লিপত কাৰ্ড নম্বৰ, পৰিমাণ আৰু যোগাযোগ নম্বৰ উল্লেখ কৰি ক্ৰেডিট কাৰ্ডৰ দেনা পৰিশোধ কৰক।

6. IPay - আন বেংক একাউণ্টৰ পৰা পোনে পোনে আপোনাৰ কাৰ্ড একাউণ্টলৈ অনলাইনযোগে ধন পৰিশোধ কৰক।

7. Visa মানী ট্ৰেঞ্চফাৰ - Visa ফ্ৰেঞ্চাইজী ক্ৰেডিট কাৰ্ডৰ ক্ষেত্ৰত, Visa মানী ট্ৰেঞ্চফাৰ ব্যৱহাৰ কৰি আন বেংক একাউণ্টৰ জৰিয়তে অনলাইনত ধন পৰিশোধ কৰক। যিটো বেংকৰ পৰা ধন পঠোৱা হ'ব, সেই বেংকৰ দ্বাৰা Visa মানী ট্ৰেঞ্চফাৰৰ বাবে মাচুল আৰোপ কৰা হ'ব পাৰে।

টোকা: *কাৰ্ডধাৰকসকলক ধন পৰিশোধৰ অন্তিম তাৰিখৰ যথেষ্ট আগতেই ধন পৰিশোধ কৰিবলৈ পৰামৰ্শ দিয়া হ'ল যাতে ধন জমা হোৱাৰ তথ্য অন্তিম তাৰিখত বা তাৰ আগতে প্ৰতিফলিত হয়। কাৰ্ডধাৰকসকলক ওপৰত উল্লেখ কৰা পদ্ধতিসমূহৰ জৰিয়তে তেওঁলোকৰ ক্ৰেডিট কাৰ্ডৰ দেনা পৰিশোধ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। IDBI বেংকৰ সৈতে জড়িত নোহোৱা যিকোনো তৃতীয় পক্ষ এপৰ দৰে অন্যান্য পদ্ধতি বা মাধ্যমৰ জৰিয়তে কৰা পৰিশোধ ক্লিয়াৰেঞ্চ হ'বলৈ অধিক সময় (TAT) লাগিব পাৰে। যদি অন্তিম তাৰিখৰ ভিতৰত ধন প্ৰাপ্ত নহয়, তেন্তে কাৰ্ডৰ প্ৰকাৰ অনুসৰি প্ৰযোজ্য অধিমূল্যসমূহ আৰোপ কৰা হ'ব। অনা-সম্বন্ধিত মাধ্যমৰ জৰিয়তে কৰা পৰিশোধ পলম হোৱা বা প্ৰতিফলিত নোহোৱাৰ ফলত উদ্ভৱ হোৱা যিকোনো প্ৰশ্নৰ বাবে গ্ৰাহকে পোনপটীয়াকৈ সংশ্লিষ্ট মাধ্যমসমূহৰ সৈতে যোগাযোগ কৰিব পাৰে।*

(c) **বিলিং সম্পৰ্কীয় বিবাদ:** ষ্টেটমেণ্টৰ তাৰিখৰ পৰা 60 দিনৰ ভিতৰত যদি কাৰ্ড সদস্যই কোনো বিসংগতিৰ বিষয়ে IDBI বেংকক লিখিতভাৱে অৱগত নকৰে, তেন্তে ষ্টেটমেণ্টত থকা সকলো তথ্য সঠিক বুলি গণ্য কৰা হ'ব আৰু সেয়া গ্ৰহণ কৰা বুলি ধৰি লোৱা হ'ব।

- ডাকযোগে: মেনেজাৰ, IDBI বেংক লিমিটেড, CPU - ক্ৰেডিট কাৰ্ডছ ডিভিজন, IDBI বিল্ডিং, 3ৰ্ড ফ্ল'ৰ, প্লট নং: 39/40/41, ছেক্টৰ-11, CBD-বেলাপুৰ, নবী মুম্বাই, পিন-400614।
- **ইমেইলৰ যোগে:** customercare@idbi.co.in

এনে তথ্য লাভ কৰাৰ পিছত, তদন্ত চলি থকা সময়লৈকে IDBI বেংকে অস্থায়ীভাৱে অধিমূল্যটো ওলোটাই (reverse) দিব পাৰে। যদি পৰৱৰ্তী তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত দেখা যায় যে তেনে অধিমূল্যৰ দায়বদ্ধতা কাৰ্ড সদস্যৰ একাউণ্টৰ ওপৰত বৰ্তিব, তেন্তে সেই অধিমূল্যটো ইয়াৰ সৈতে জড়িত পুনঃপ্ৰাপ্তিৰ অনুৰোধৰ অধিমূল্যৰ সৈতে পৰৱৰ্তী এটা ষ্টেটমেণ্টত পুনৰ বাহাল কৰা হ'ব।

(d) **যোগাযোগৰ বিৱৰণ:** কাৰ্ডৰ সদস্যই যিকোনো সোধা-পোছা কৰিবলৈ বা যিকোনো অভিযোগ নিষ্পত্তিৰ বাবে তলত দিয়া মাধ্যমসমূহৰ জৰিয়তে IDBI বেংক ক্ৰেডিট কাৰ্ডৰ সৈতে যোগাযোগ কৰিব পাৰে

- 24 **ঘণ্টাৰ ক্ৰেডিট কাৰ্ড গ্ৰাহক সেৱা** -
  1800-209-4324 / 1800-22-1070 (নিঃশুল্ক) / 022 67719100 (শুল্ক আৰোপিত)
- **ডাকযোগে** - মেনেজাৰ, IDBI বেংক লিমিটেড, CPU - ক্ৰেডিট কাৰ্ডছ ডিভিজন, IDBI বিল্ডিং, 3ৰ্ড ফ্ল'ৰ, প্লট নং: 39/40/41, ছেক্টৰ-11, CBD-বেলাপুৰ, নবী মুম্বাই, পিন-400614।
- **ইমেইলৰ যোগে** - customercare@idbi.co.in

3. **<u>ডিফ'ল্ট আৰু পৰিস্থিতিসমূহ</u>**

- যদি কাৰ্ডৰ সদস্যই বিলিং ষ্টেটমেণ্টত নিৰ্দেশ কৰা অন্তিম তাৰিখৰ ভিতৰত ন্যূনতম দেয় ধন পৰিশোধ কৰিবলৈ ব্যৰ্থ হয়, তেন্তে তাক অতিদেয় হিচাপে গণ্য কৰা হ'ব। এনে ক্ষেত্ৰত, যদি কাৰ্ডৰ সদস্যই পৰৱৰ্তী বিলিং তাৰিখলৈকেও ধন পৰিশোধ নকৰে, তেন্তে বেংকে ডিফ'ল্ট প্ৰতিবেদন ক্ৰেডিট ইনফৰ্মেচন ব্যুৰ' বা আইনৰ দ্বাৰা অনুমোদিত তেনে অন্যান্য সংস্থালৈ প্ৰেৰণ কৰিব পাৰে। দুটা বিলিং তাৰিখৰ মাজৰ সময়ছোৱাক এজন কাৰ্ডৰ সদস্যক ডিফ'ল্টাৰ হিচাপে ৰিপ'ৰ্ট কৰাৰ জাননীৰ অৱধি বুলি গণ্য কৰা হয়।
- কাৰ্ডধাৰকৰ চুক্তি/আটাইতকৈ গুৰুত্বপূৰ্ণ চৰ্ত আৰু নিয়মাৱলীৰ আন কোনো দফাত থকা যিকোনো অসামঞ্জস্যপূৰ্ণ কথাৰ স্বত্বেও ইয়াত অধিক স্পষ্ট কৰা হৈছে যে যদি কাৰ্ডধাৰকয়ে 90 দিনৰ অৱধিৰ বাবে ন্যূনতম দেয় ধন পৰিশোধ নকৰে, তেন্তে চুক্তিৰ অধীনত IDBI বেংকে প্ৰদান কৰি থকা ক্ৰেডিট কাৰ্ড সেৱা সমাপ্ত কৰা হ'ব; অৱশ্যে, কাৰ্ডধাৰকয়ে

1190 দিন পৰ্যন্ত বাকী থকা যিকোনো অপৰিশোধিত ধনৰ লগতে পৰিশোধৰ অন্তিম তাৰিখৰ 90 দিনৰ পিছৰ অৱধিৰ বাবে IDBI বেংকে নিজৰ বিবেচনা আৰু বিকল্প অনুসৰি তথা বিভিন্ন আভ্যন্তৰীণ নীতি আৰু প্ৰক্ৰিয়াৰ সৈতে সংগতি ৰাখি আৰোপ কৰিব পৰা যিকোনো ফাইনেঞ্চ অধিমূল্য/পলমকৈ কৰা পৰিশোধৰ সূতৰ বাবে দায়বদ্ধ হৈ থাকিব।

- কাৰ্ডৰ দেনাসমূহ অন্তিম তাৰিখত বা কাৰ্ডধাৰকৰ চুক্তিৰ সন্মত চৰ্ত অনুসৰি পৰিশোধ কৰাটো প্ৰত্যাশিত। ডিফ'ল্ট হোৱাৰ ক্ষেত্ৰত, ক্ৰেডিট কাৰ্ড একাউণ্টৰ যিকোনো বাকী থকা ধন পৰিশোধৰ বাবে ডাক, ফেক্স, টেলিফোন, ই-মেইল, SMS মেছেজিং আৰু/অথবা দেনা পৰিশোধৰ বাবে সোঁৱৰাই দিবলৈ, অনুসৰণ কৰিবলৈ আৰু সংগ্ৰহ কৰিবলৈ নিযুক্ত কৰা তৃতীয় পক্ষৰ জৰিয়তে কাৰ্ডধাৰকলৈ সময়ে সময়ে সোঁৱৰণী পঠিওৱা হ'ব। এনেদৰে নিযুক্ত যিকোনো তৃতীয় পক্ষই ঋণ সংগ্ৰহৰ ক্ষেত্ৰত ইণ্ডিয়ান বেংকছ এছ'চিয়েচনৰ (IBA) আচৰণ বিধি মানি চলিব লাগিব। যদি বেংকে কাৰ্ডৰ সদস্যগৰাকীৰ সৈতে যোগাযোগ কৰিবলৈ অসমৰ্থ হয়, তেন্তে বাসগৃহ/কাৰ্যালয়/ফোনত উপলব্ধ থকা তৃতীয় পক্ষ যেনে পত্নী / পিতৃ-মাতৃ / অন্য প্ৰত্যক্ষ প্ৰাপ্তবয়স্ক পৰিয়ালৰ সদস্য / সচিব / হিচাপৰক্ষকৰ ওচৰত বাৰ্তা এৰি থৈ যাব পাৰে।

কাৰ্ডধাৰকৰ মৃত্যুৰ ক্ষেত্ৰত দেনা সংগ্ৰহ:

- সম্পূৰ্ণ বাকী থকা ধন (বিল নকৰা লেনদেনসমূহৰ সৈতে) তৎক্ষণাৎ পৰিশোধযোগ্য হ'ব আৰু IDBI বেংকক পৰিশোধ কৰিব লাগিব।
- IDBI বেংক কাৰ্ডধাৰকৰ সম্পত্তিৰ পৰা মুঠ বাকী থকা ধন সংগ্ৰহ কৰাৰ অধিকাৰী হ'ব।
- ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনা অনুসৰি, আমি আমাৰ ক্ৰেডিট কাৰ্ডধাৰকসকলৰ ক্ৰেডিট সম্পৰ্কীয় তথ্য মাহিলী ভিত্তিত ক্ৰেডিট ইনফৰ্মেচন ব্যুৰ' ইণ্ডিয়া লিমিটেডক প্ৰদান কৰোঁ। প্ৰদান কৰা এই তথ্যই পূৰ্বৰ মাহৰ শেষৰ অৱস্থাক প্ৰতিফলিত কৰে আৰু ইয়াত ক্ৰেডিট কাৰ্ড একাউণ্টটো নিয়মীয়া নে ডিফল্ট সেই সম্পৰ্কীয় তথ্য অন্তৰ্ভুক্ত থাকে। যিবোৰ ক্ৰেডিট কাৰ্ড একাউণ্টত পৰিশোধ অতিদেয় হোৱা নাই, তেনে একাউণ্টত পৰিশোধৰ অন্তিম তাৰিখৰ পৰা 3 দিনৰ ৰেহাই দিন প্ৰদান কৰা হয়। ক্ৰেডিট কাৰ্ড ষ্টেটমেণ্টত উল্লেখ কৰা পৰিশোধৰ অন্তিম তাৰিখটোৱেই হৈছে সেইটো তাৰিখ যিটো তাৰিখৰ ভিতৰত ক্ৰেডিট কাৰ্ডত ধন জমা হ'ব লাগে, অৱশ্যে পৰিশোধৰ প্ৰক্ৰিয়াকৰণ সময়ৰ বাবে 3 দিনৰ ৰেহাই দিয়া হয়। যেতিয়া এটা ক্ৰেডিট কাৰ্ড একাউণ্ট 3 দিনতকৈ অধিক সময়ৰ বাবে 'অতিদেয়' হৈ থাকে, তেতিয়া বেংকে ক্ৰেডিট ইনফৰ্মেচন কোম্পানীসমূহক একাউণ্টটো 'অতিদেয়' বুলি ৰিপ'ৰ্ট কৰিব আৰু পলমকৈ কৰা পৰিশোধৰ অধিমূল্য আৰোপ কৰিব। অৱশ্যে, 'অতিদেয় হোৱা দিনৰ' সংখ্যা আৰু পলমকৈ কৰা পৰিশোধৰ অধিমূল্য ক্ৰেডিট কাৰ্ড ষ্টেটমেণ্টত উল্লেখ কৰা পৰিশোধৰ অন্তিম তাৰিখৰ পৰাহে গণনা কৰা হ'ব। যদি তেনে ৰিপ'ৰ্ট কৰা তাৰিখত এটা ক্ৰেডিট কাৰ্ড একাউণ্ট ডিফল্ট হৈ থাকে আৰু একাউণ্টটো পৰৱৰ্তী সময়ত নিয়মীয়া কৰা হয়, তেন্তে একাউণ্টটোৰ স্থিতি কেৱল ভৱিষ্যতৰ বাবেহে আপডেট কৰা হ'ব, অৰ্থাৎ পৰৱৰ্তী মাহিলী ৰিপ'ৰ্টৰ সময়তহে সেয়া আপডেট হ'ব। CIBILৰ মতে, গ্ৰাহকৰ স্থিতিৰ সকলো পৰিৱৰ্তন সৰ্বাধিক 30 দিনৰ ভিতৰত আপডেট কৰা হয়। CIBILত কোনো বিৰূপ ক্ৰেডিট ইতিহাস পৰিহাৰ কৰিবলৈ, ক্ৰেডিট কাৰ্ডধাৰকসকলে কাৰ্ড একাউণ্টৰ দেয় ধন পৰিশোধৰ অন্তিম তাৰিখত বা তাৰ আগতে সঠিক সময়ত পৰিশোধ কৰাটো নিশ্চিত কৰিব লাগে।

- **<u>SMA আৰু NPA</u>**

(A) বিশেষভাৱে উল্লেখ কৰা একাউণ্টসমূহ ('SMA') :

নিয়ন্ত্ৰণমূলক প্ৰয়োজনীয়তাসমূহৰ পৰিপ্ৰেক্ষিতত, IDBIএ একাউণ্টৰ প্ৰাৰম্ভিক সমস্যাসমূহ চিনাক্ত কৰিবলৈ এটা উপ-সম্পত্তি শ্ৰেণী অৰ্থাৎ 'বিশেষভাৱে উল্লেখ কৰা একাউণ্টসমূহ' সৃষ্টি কৰিব লাগে, যাৰ তিনিটা উপ-শ্ৰেণী হৈছে: SMA 0, SMA 1 আৰু SMA 2।

(B) অনা-কাৰ্যকৰী সম্পদ (NPA):

যদি ষ্টেটমেণ্টত উল্লেখ কৰা অনুসৰি ন্যূনতম দেয় ধন, পৰিশোধৰ অন্তিম তাৰিখৰ পৰা 90 দিনৰ ভিতৰত সম্পূৰ্ণৰূপে পৰিশোধ কৰা নহয়, তেন্তে ক্ৰেডিট কাৰ্ড একাউণ্টটোক অনা-কাৰ্যকৰী সম্পদ হিচাপে গণ্য কৰা হ'ব। তদুপৰি, যিকোনো একাউণ্ট য'ত মিমাংসা বা পুনৰ্গঠনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে, তাকো অনা-কাৰ্যকৰী সম্পদ হিচাপে শ্ৰেণীভুক্ত কৰা হ'ব। সূত আৰু মূল ধনৰ সম্পূৰ্ণ বাকী থকা ধন পৰিশোধ নকৰালৈকে এটা একাউণ্ট অনা-কাৰ্যকৰী সম্পদ হিচাপে শ্ৰেণীভুক্ত হৈ থাকিব।

মীমাংসা কৰা আৰু পুনৰ্গঠন কৰা একাউণ্টসমূহ আপগ্ৰেডৰ বাবে যোগ্য নহয়।

SMA উপ শ্ৰেণীসমূহ	শ্ৰেণীবিভাজনৰ ভিত্তি [মূল ধন বা সূত পৰিশোধ বা অন্য যিকোনো ধন সম্পূৰ্ণৰূপে বা আংশিকভাৱে অতিদেয়]
SMA – 0	PDDৰ পৰা 30 দিন পৰ্যন্ত
SMA – 1	PDDৰ পৰা 30 দিনতকৈ অধিক আৰু 60 দিন পৰ্যন্ত
SMA – 2	PDDৰ পৰা 60 দিনতকৈ অধিক আৰু 90 দিন পৰ্যন্ত

নিদৰ্শনমূলক উদাহৰণ:

যদি এটা ক্ৰেডিট কাৰ্ড একাউণ্টৰ পৰিশোধৰ অন্তিম তাৰিখ 31 মাৰ্চ, 2021 হয়, আৰু এই তাৰিখৰ দিনান্তৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ আগতে সম্পূৰ্ণ দেয় ধন প্ৰাপ্ত নহয়, তেন্তে অতিদেয় হোৱাৰ তাৰিখটো হ'ব 31 মাৰ্চ, 2021। যদি ই ধাৰাবাহিকভাৱে অতিদেয় হৈ থাকে, তেন্তে 30 এপ্ৰিল, 2021 তাৰিখে দিনান্তৰ প্ৰক্ৰিয়া চলি থকাৰ সময়ত অৰ্থাৎ ধাৰাবাহিকভাৱে 30 দিন অতিদেয় হৈ থকা সম্পূৰ্ণ হোৱাৰ পিছত, এই কাৰ্ড একাউণ্টটো SMA-1 হিচাপে চিহ্নিত কৰা হ'ব। সেই অনুসৰি, সেই কাৰ্ড একাউণ্টটোৰ বাবে SMA-1 শ্ৰেণীবিভাজনৰ তাৰিখ হ'ব 30 এপ্ৰিল, 2021। একেদৰে, যদি কাৰ্ড একাউণ্টটো ধাৰাবাহিকভাৱে অতিদেয় হৈ থাকে, তেন্তে 30 মে', 2021 তাৰিখে দিনান্তৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ সময়ত ইয়াক SMA-2 হিচাপে চিহ্নিত কৰা হ'ব, আৰু যদি ইয়াৰ পিছতো ধাৰাবাহিকভাৱে অতিদেয় হৈ থাকে, তেন্তে 29 জুন, 2021 তাৰিখে দিনান্তৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ সময়ত ইয়াক অনা-কাৰ্যকৰী সম্পদ হিচাপে শ্ৰেণীভুক্ত কৰা হ'ব। পৰিশোধৰ অন্তিম তাৰিখ: 31 মাৰ্চ, 2021।

অতিদেয় দিন	শ্ৰেণীবিভাজনৰ তাৰিখ	শ্ৰেণীবিভাজনৰ স্থিতি*
NA	30 মাৰ্চ, 2021	ষ্টেণ্ডাৰ্ড
1	31 মাৰ্চ, 2021	SMA 0
31	30 এপ্ৰিল, 2021	SMA 1
61	30 মে', 2021	SMA 2
91	29 জুন, 2021	NPA

ক্ৰেডিট কাৰ্ডৰ সুবিধাসমূহ পৰিচালনা কৰা চৰ্ত আৰু নিয়মাৱলী পৰিপূৰক/এড-অন কাৰ্ডধাৰকৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হ'ব।

4. **<u>লিয়েনৰ অধিকাৰ</u>**

. বেংকে দাবী কৰা সত্ত্বেও যদি কাৰ্ড সদস্য বা এড-অন কাৰ্ড সদস্যই নিৰ্ধাৰিত সময়ৰ ভিতৰত কাৰ্ডৰ বাকী ধন পৰিশোধ নকৰে, তেন্তে বেংকে যিকোনো সময়তে আগতীয়াকৈ জাননী নিদিয়াকৈয়ে তেওঁলোকৰ বেংকত থকা যিকোনো একাউণ্ট বা জিম্মাত জমা থকা ধনৰ ওপৰত লিয়েন আৰু ছেট-অফৰ অধিকাৰ প্ৰয়োগ কৰিব পাৰিব।

5. **<u>কাৰ্ডৰ সদস্যপদ সমাপ্ত কৰা/বাতিল কৰা</u>**

(i) কাৰ্ড সদস্যই যিকোনো সময়তে তলত দিয়া ঠিকনাত IDBI বেংকলৈ পত্ৰ লিখি আৰু কাৰ্ডখন চুকৰ পৰা তিৰ্যকভাৱে টুকুৰা-টুকুৰকৈ কাটি কাৰ্ডৰ সদস্যপদ সমাপ্ত কৰিব পাৰে: "মেনেজাৰ, IDBI বেংক লিমিটেড, CPU - ক্ৰেডিট কাৰ্ডছ ডিভিজন, IDBI বিল্ডিং, থাৰ্ড ফ্লোৰ, প্লট নং: 39/40/41, ছেক্টৰ-11, CBD-বেলাপুৰ, নবী মুম্বাই, পিন-400614"। লিখিত অনুৰোধ বা customercare@idbi.co.in লৈ ইমেইল পঠিয়াই এড-অন কাৰ্ডৰ সৈতে সকলো কাৰ্ড সমাপ্ত কৰিব পৰা যাব। কাৰ্ডৰ সম্পূৰ্ণ বাকী থকা ধন আৰু ক্ৰেডিট কাৰ্ডৰ সৈতে জড়িত ঋণ/EMI সুবিধাসমূহ (যদি গ্ৰহণ কৰিছে) তৎক্ষণাৎ পৰিশোধযোগ্য হ'ব। কাৰ্ড একাউণ্টৰ বাকী থকা সকলো ধন পৰিশোধ কৰাৰ পিছতহে সদস্যপদ সমাপ্তিকৰণ কাৰ্যকৰী হ'ব। কোনো বাৰ্ষিক, যোগদান বা নবীকৰণ মাচুল আনুপাতিকভাৱে ওভতাই দিয়া নহ'ব।

(ii) যদি বেংকে কাৰ্ডখনৰ ব্যৱহাৰত অস্বাভাৱিক বা অস্বাভাৱিক ধৰণৰ লেনদেন লক্ষ্য কৰে, তেন্তে বেংকে কাৰ্ডৰ লেনদেনৰ বৈধতা পৰীক্ষা কৰিবলৈ তেওঁলোকৰ হাতত থকা পঞ্জীয়নভুক্ত ফোন নম্বৰৰ জৰিয়তে গ্ৰাহকৰ সৈতে যোগাযোগ কৰিবলৈ চেষ্টা কৰিব। যদি বেংকে গ্ৰাহকৰ সৈতে যোগাযোগ কৰিবলৈ সক্ষম নহয় আৰু যদি বেংকে যুক্তিসংগতভাৱে বিশ্বাস কৰে যে কাৰ্ডধাৰকৰ স্বাৰ্থত বা সুৰক্ষাজনিত কাৰণত ই প্ৰয়োজনীয়, তেন্তে বেংকে কোনো আগতীয়া জাননী নিদিয়াকৈয়ে কাৰ্ডৰ ব্যৱহাৰ সীমিত বা সমাপ্ত কৰিব পাৰে। যদি কাৰ্ড সদস্যই দেয় ধন পৰিশোধত বিফল হয় বা প্ৰদান কৰা ক্ৰেডিট লিমিট অতিক্ৰম কৰে, তেন্তে IDBI বেংকে ক্ৰেডিট কাৰ্ডৰ সুবিধা স্থগিত ৰাখিব পাৰে। চুক্তি শেষ হোৱাৰ পিছত বা কাৰ্ড একাউণ্ট স্থগিত ৰখা হ'লে ক্ৰেডিট কাৰ্ডখন ব্যৱহাৰ কৰিব নালাগে।

(iii) তেনে পৰিস্থিতিত, কাৰ্ড সদস্যই (আইন অনুসৰি প্ৰয়োজনীয় যিকোনো ডিফল্ট বা অন্য জাননী সাপেক্ষে) একাউণ্টত থকা মুঠ বাকী ধন তৎক্ষণাৎ IDBI বেংকক পৰিশোধ কৰিব লাগিব। ইয়াত চুক্তিৰ অধীনত IDBI বেংকক পৰিশোধ কৰিবলগীয়া সকলো ধন অন্তৰ্ভুক্ত থাকে, য'ত একাউণ্টত এতিয়াও আৰোপ নকৰা সকলো লেনদেন আৰু অন্যান্য ধনৰ পৰিমাণো অন্তৰ্ভুক্ত হ'ব। বেংকে তেনে সকলো দেয় ধন লাভ কৰাৰ পিছতহে কাৰ্ডৰ সদস্যপদ সমাপ্তি বা বাতিলকৰণ কাৰ্যকৰী হ'ব।

(iv) IDBI বেংকে কোনো কাৰণ নদৰ্শোৱাকৈয়ে ক্ৰেডিট কাৰ্ড/এড-অন কাৰ্ডৰ বাকী থকা ধন যিকোনো সময়তে নিজাববীয়াকৈ ঘূৰাই বিচাৰিব পাৰে। যদি IDBI বেংকে সম্পূৰ্ণ বাকী থকা ধনখিনি ঘূৰাই বিচাৰে, তেন্তে বেংকে সেই সম্পূৰ্ণ ধন পৰিশোধ কৰাৰ বাবে কাৰ্ড সদস্যক যুক্তিসংগত সময় দি এখন জাননী প্ৰদান কৰিব।

(v) এই চৰ্ত আৰু নিয়মাৱলীৰ আন কোনো ঠাইত বিপৰীতধৰ্মী যিয়েই উল্লেখ নাথাকক কিয়, IDBI বেংকে কোনো কাৰণ নেদৰ্শোৱাকৈয়ে নিজৰ বিবেচনা অনুসৰি ক্ৰেডিট কাৰ্ড একাউণ্ট বা ক্ৰেডিট কাৰ্ড/এড-অন কাৰ্ডত প্ৰদান কৰা সীমা বাতিল কৰিব পাৰে। যদি IDBI বেংকে এই দফাৰ মৰ্মে ক্ৰেডিট কাৰ্ড একাউণ্ট বা ক্ৰেডিট কাৰ্ড/এড-অন কাৰ্ডৰ সীমা বাতিল কৰে, তেন্তে তেনে বাতিলকৰণৰ বিষয়ে বেংকে কাৰ্ড সদস্যক অৱগত কৰিব।

(vi) কাৰ্ডৰ সদস্যৰ মৃত্যু হ'লে বা তেওঁ অসমৰ্থ হ'লে, অথবা কোনো কাৰ্ডৰ সদস্যৰ কৰ্প'ৰেট নিকায় দেউলীয়া হ'লে/বিলুপ্তি ঘটিলে/বন্ধ হৈ গ'লে কাৰ্ডৰ সদস্যৰ লগতে যিকোনো এড-অন কাৰ্ডৰ সদস্যলৈ জাৰি কৰা কাৰ্ড স্বয়ংক্ৰিয়ভাৱে বাতিল হৈ যাব। কোনো চৰকাৰী বা নিয়ন্ত্ৰণকাৰী সংস্থাৰ নিৰ্দেশৰ ভিত্তিতো কাৰ্ড একাউণ্টটো স্থগিত কৰিব পৰা যাব। মৃত্যু বা অসমৰ্থতা, দেউলীয়া হোৱা, বিলুপ্তি ঘটা বা চৰকাৰী/নিয়ন্ত্ৰণকাৰী সংস্থাৰ নিৰ্দেশ অনুসৰি (যিটোৱেই প্ৰযোজ্য নহওক কিয়), কাৰ্ড একাউণ্টত থকা বাকী সকলো ধন তৎক্ষণাৎ পৰিশোধযোগ্য বুলি গণ্য কৰা হ'ব। লগতে কাৰ্ডৰ সদস্যই বাকী থকা সকলো ধন তৎক্ষণাৎ পৰিশোধ কৰাৰ বাধ্যবাধকতা অটুট ৰাখি বেংকে বলবৎ থকা প্ৰাসংগিক আইন অনুসৰি সেই ধন উদ্ধাৰ কৰাৰ অধিকাৰ লাভ কৰিব।

(vii) কাৰ্ডধাৰকজনে বুজি পাইছে যে IDBI বেংক ইন্টাৰনেচনেল ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ কঠোৰভাৱে বৈদেশিক বিনিময় নিয়ন্ত্ৰণ নিয়মাৱলী, দেশৰ আইন বা সময়ে সময়ে প্ৰযোজ্য হোৱা নিয়ন্ত্ৰণকাৰী কৰ্তৃপক্ষৰ নিয়ম অনুসৰি হ'ব লাগিব। ফৰেক্স ট্ৰেডিঙ, লটাৰী, বাজী ধৰা, জুৱা আৰু ডেটিং সম্পৰ্কীয় লেনদেনৰ বাবে কাৰ্ডখন ব্যৱহাৰ কৰিব নোৱাৰিব; এই সম্পৰ্কে নিজকে আপডে'ট কৰি ৰখাৰ দায়িত্ব সম্পূৰ্ণৰূপে কাৰ্ডধাৰকৰ আৰু ইয়াৰ অন্যথা হ'লে বৈদেশিক বিনিময় পৰিচালনা অধিনিয়ম (FEMA) 1999 বা ইয়াৰ বিধিবদ্ধ সংশোধন বা পুনৰ প্ৰৱৰ্তনৰ অধীনত হোৱা আইনী ব্যৱস্থাৰ বাবে কাৰ্ডধাৰক নিজেই দায়ী হ'ব।

(viii) যদি এখন ক্ৰেডিট কাৰ্ড এবছৰতকৈ অধিক সময় ধৰি ব্যৱহাৰ কৰা হোৱা নাই, তেন্তে কাৰ্ডধাৰকক অৱগত কৰাৰ পিছত কাৰ্ডখন বন্ধ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। যদি 30 দিনৰ ভিতৰত কাৰ্ডধাৰকৰ পৰা কোনো উত্তৰ পোৱা নাযায়, তেন্তে কাৰ্ডধাৰকয়ে সকলো দেয় ধন পৰিশোধ কৰা সাপেক্ষে কাৰ্ড একাউণ্টটো বন্ধ কৰি দিয়া হ'ব পাৰে।

(ix) যদি ক্ৰেডিট কাৰ্ড বন্ধ কৰাৰ প্ৰক্ৰিয়াটো কাৰ্ড জাৰি কৰোঁতাই সাতটা কৰ্মদিনৰ ভিতৰত সম্পূৰ্ণ কৰাত ব্যৰ্থ হয়, তেন্তে পলম হোৱা প্ৰতিটো দিনৰ বাবে গ্ৰাহকক 500 টকাকৈ

জৰিমনা আদায় দিব লাগিব, যেতিয়ালৈকে কাৰ্ডখন বন্ধ কৰা নহয়। অৱশ্যে, ইয়াৰ বাবে ক্ৰেডিট কাৰ্ড একাউণ্টত কোনো বাকী ধন থাকিব নালাগিব।

6. **কাৰ্ড হেৰুৱালে/চুৰি হ'লে/অপব্যৱহাৰ হ'লে**

(i) প্ৰাথমিক বা যিকোনো অতিৰিক্ত ক্ৰেডিট কাৰ্ড ভুল ঠাইত থলে, হেৰুৱালে, চুৰি হ'লে, নষ্ট হ'লে, সময়মতে লাভ নকৰিলে অথবা কাৰ্ডৰ সদস্যৰ অনুমতি অবিহনে কাৰ্ডখন ব্যৱহাৰ কৰা বুলি সন্দেহ হ'লে লগে লগে 24-ঘণ্টীয়া ক্ৰেডিট কাৰ্ড গ্ৰাহক সেৱাক অৱগত কৰিব লাগিব। কাৰ্ডৰ সদস্যই IVR, ক্ৰেডিট কাৰ্ড নেট বেংকিং বা GO ম'বাইল এপৰ জৰিয়তেও তৎক্ষণাত কাৰ্ডখন ব্লক কৰিব পাৰিব। এবাৰ কাৰ্ডখন হেৰুৱা বুলি ৰিপ'ৰ্ট কৰাৰ পিছত যদি পৰৱৰ্তী সময়ত কাৰ্ডৰ সদস্যই সেইখন বিচাৰি পায়, তেন্তে কোনো পৰিস্থিতিতেই সেইখন পুনৰ ব্যৱহাৰ কৰিব নালাগে আৰু কাৰ্ডৰ সদস্যই কাৰ্ডখন চুকৰ পৰা তিৰ্যকভাৱে দুটুকুৰা কৰি কাটি পেলাব লাগে।

(ii) বেংকে কাৰ্ড হেৰুৱাৰ খবৰ পোৱাৰ আগলৈকে কাৰ্ড একাউণ্টত হোৱা কোনো লেনদেনৰ বাবে দায়বদ্ধ নহ'ব আৰু ইয়াৰ বাবে কাৰ্ডৰ সদস্যজন সম্পূৰ্ণৰূপে দায়ী হ'ব। ভাৰতৰ বাহিৰত থকা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত লেনদেন কৰিলে PIN বা অতিৰিক্ত প্ৰমাণীকৰণ অবিহনেই প্ৰক্ৰিয়াটো সম্পন্ন হ'ব পাৰে, কাৰণ সেই দেশসমূহত ই বাধ্যতামূলক নহ'বও পাৰে। কাৰ্ড হেৰুৱাৰ খবৰ দিয়াৰ আগতে হোৱা সকলো লেনদেনৰ বাবে কাৰ্ডৰ সদস্যজন সম্পূৰ্ণৰূপে দায়ী থাকিব। অৱশ্যে, বেংকক কাৰ্ড হেৰুৱাৰ বিষয়ে সঠিকভাৱে অৱগত কৰাৰ পিছত কাৰ্ডৰ সদস্যৰ কোনো দায়বদ্ধতা নাথাকিব। কাৰ্ড হেৰুৱা বা চুৰি হোৱাৰ বিষয়ে IDBI বেংকক জনোৱাৰ লগতে কাৰ্ডৰ সদস্যই আৰক্ষীকো এই বিষয়ে জনাব লাগিব আৰু এখন FIR দাখিল কৰি আৰক্ষীৰ ওচৰত দিয়া অভিযোগৰ স্বীকৃত প্ৰতিলিপি জমা দিব লাগিব।

(iii) যদি কাৰ্ডৰ সদস্য বা অতিৰিক্ত কাৰ্ডৰ সদস্যৰ সন্মতি, অসাৱধানতা বা গাফিলতিৰ বাবে আন কোনোবাই PIN অথবা কাৰ্ডখন হস্তগত কৰি ইয়াৰ অপব্যৱহাৰ কৰে, তেন্তে তেনে ক্ষেত্ৰত হোৱা সকলো লোকচানৰ বাবে কাৰ্ডৰ সদস্যজন নিজেই দায়ী হ'ব।

(iv) যদি কাৰ্ডৰ সদস্যই প্ৰৱঞ্চনামূলক কাৰ্য কৰে, তেন্তে তেওঁ সকলো লোকচানৰ বাবে দায়ী হ'ব। যদি কাৰ্ডৰ সদস্যই যুক্তিসংগত সাৱধানতা অৱলম্বন নকৰে, তেন্তে হোৱা সকলো লোকচানৰ বাবে তেওঁক দায়ী কৰা হ'ব পাৰে।

(v) IDBI বেংকে কাৰ্ডৰ সদস্য বা কোনো অতিৰিক্ত কাৰ্ডৰ সদস্যৰ অনুমতি নোলোৱাকৈয়ে, কাৰ্ড অথবা PIN হেৰোৱা, চুৰি হোৱা বা অপব্যৱহাৰ সম্পৰ্কে প্ৰাসংগিক বুলি বিবেচনা কৰা যিকোনো তথ্য আৰক্ষী বা অন্যান্য সংশ্লিষ্ট কৰ্তৃপক্ষক প্ৰদান কৰিব পাৰে।

(vi) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ (RBI) 6 জুলাই 17 তাৰিখৰ গ্ৰাহক সুৰক্ষা - অননুমোদিত ইলেক্ট্ৰনিক বেংকিং লেনদেনত গ্ৰাহকৰ দায়বদ্ধতা সীমিতকৰণ সম্পৰ্কীয় নিৰ্দেশনা অনুসৰি, অননুমোদিত ক্ৰেডিট কাৰ্ড লেনদেনৰ ক্ষেত্ৰত গ্ৰাহকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ এখন নীতি প্ৰস্তুত কৰা হৈছে। এই নীতিটো IDBI বেংকৰ ৱেবছাইটত "গ্ৰাহকৰ অভিযোগ নিবাৰণ নীতি" শিতানত আপডে'ট কৰা হৈছে। এই নীতি গ্ৰাহকৰ সৈতে স্বচ্ছতা আৰু নিকা ব্যৱহাৰৰ নীতিৰ ওপৰত আধাৰিত।

PIN সুৰক্ষিত কৰি ৰখা সম্পৰ্কে যোগাযোগ

কাৰ্ডৰ সৈতে ব্যৱহাৰ কৰিবলৈ কাৰ্ডধাৰকক প্ৰদান কৰা পাৰ্চনেল আইডেণ্টিফিকেচন নম্বৰ (PIN) বা কাৰ্ডধাৰকয়ে PIN হিচাপে বাছনি কৰা যিকোনো নম্বৰ কেৱল কাৰ্ডধাৰকয়েহে জনা উচিত। এয়া কাৰ্ডধাৰকৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে আৰু ই হস্তান্তৰযোগ্য নহয় তথা সম্পূৰ্ণৰূপে গোপনীয়। PINৰ কোনো লিখিত ৰেকৰ্ড এনে কোনো ৰূপত, ঠাইত বা ধৰণে ৰখা উচিত নহয় যাৰ ফলত কোনো তৃতীয় পক্ষই ইয়াৰ ব্যৱহাৰ কৰিব পাৰে। কোনো পৰিস্থিতিতে বা কোনো উপায়েৰে, লাগিলে সেয়া স্বেচ্ছাই হওক বা অন্যথা, PIN কোনো তৃতীয় পক্ষক, আনকি বেংকৰ কৰ্মচাৰী বা ব্যৱসায়িক প্ৰতিষ্ঠানকো সদৰী কৰিব নালাগে।

বীমা সুৰক্ষা

IDBI বেংকে কাৰ্ডৰ প্ৰকাৰ অনুসৰি কাৰ্ড হেৰুৱা/চুৰি হোৱা/দুৰ্ঘটনাজনিত বীমা সুৰক্ষা সম্পূৰ্ণ বিনামূলীয়াকৈ আগবঢ়ায়। উক্ত বীমা এটা তৃতীয় পক্ষৰ বীমা কোম্পানীয়ে প্ৰদান কৰে, যিয়ে এই সন্দৰ্ভত যিকোনো দাবী নিষ্পত্তিৰ

বাবেও দায়বদ্ধ। ক্ৰেডিট কাৰ্ড ছেট আপ কৰা দিনৰে পৰা এই নীতিৰ সুৰক্ষা আৰম্ভ হয়। প্ৰযোজ্য বীমা সুৰক্ষাসমূহৰ বিষয়ে জানিবলৈ অনুগ্ৰহ কৰি আদৰণি পুস্তিকাখন পঢ়ক বা বেংকৰ ৱেবছাইট www.idbibank.in চাওক।

7. **<u>সুৰক্ষিত ক্ৰেডিট কাৰ্ড</u>**

তলত দিয়া চৰ্ত আৰু নিয়মাৱলীসমূহ IDBI বেংক সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব আৰু এইসমূহ IDBI বেংকৰ ক্ৰেডিট কাৰ্ডৰ সুবিধাসমূহ পৰিচালিত কৰা ক্ৰেডিট কাৰ্ডধাৰকৰ চুক্তিৰ সাধাৰণ চৰ্ত আৰু নিয়মাৱলীৰ লগতে IDBI বেংকৰ ফিক্সড ডিপজিট পৰিচালনা কৰা চৰ্ত আৰু নিয়মাৱলীৰ উপৰি অতিৰিক্ত হিচাপে গণ্য কৰা হ'ব।

(i) সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ ক্ৰেডিট সীমা ফিক্সড ডিপজিটৰ ধনৰ পঁচাশী শতাংশ (85%) পৰ্যন্ত হ'ব পাৰে অথবা IDBI বেংকে সময়ে সময়ে লোৱা সিদ্ধান্ত অনুসৰি হ'ব, যি সৰ্বাধিক 10 লাখ টকাৰ ক্ৰেডিট সীমাৰ সাপেক্ষে হ'ব।

(ii) IDBI বেংক সুৰক্ষিত ক্ৰেডিট কাৰ্ড প্ৰদানৰ অনুৰোধ আগবঢ়াবলৈ হ'লে কাৰ্ডধাৰক আৰু/অথবা ফিক্সড ডিপজিটৰ সকলো যুটীয়া ধাৰকে বেংকে নিৰ্দেশ দিয়া অনুসৰি তেওঁলোকৰ দ্বাৰা যথাযথভাৱে স্বাক্ষৰিত জমাৰ নিশ্চয়তা পত্ৰ (COD) দাখিল কৰিব লাগিব।

(iii) সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ বিপৰীতে বন্ধক হিচাপে থকা ফিক্সড ডিপজিটৰ নবীকৰণ হ'লে, জমাৰ নিশ্চয়তা পত্ৰ ফিক্সড ডিপজিটৰ একাউণ্ট ধাৰকসকললৈ প্ৰেৰণ কৰা নহ'ব।

(iv) কাৰ্ডৰ ক্ৰেডিট সীমা ফিক্সড ডিপজিটৰ মূল ধনৰ ওপৰত নিৰ্ভৰ কৰিব; ফিক্সড ডিপজিটত জমা হোৱা সুদে গ্ৰাহকক আৱণ্টন কৰা ক্ৰেডিট সীমাৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰিব।

(v) সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ সৈতে জড়িত ফিক্সড ডিপজিটৰ ধন কাৰ্ডধাৰক বা ফিক্সড ডিপজিটৰ যুটীয়া ধাৰকসকলে তেতিয়ালৈকে ভাঙিব নোৱাৰিব বা তাৰ পৰা আংশিক ধন উলিয়াব নোৱাৰিব, যেতিয়ালৈকে সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ সকলো বকেয়া পৰিশোধ কৰা নহয় আৰু সুৰক্ষিত ক্ৰেডিট কাৰ্ডখন বন্ধ কৰা নহয়।

(vi) ফিক্সড ডিপজিট অথবা IDBI বেংকৰ সুৰক্ষিত ক্ৰেডিট কাৰ্ড বন্ধ, প্ৰত্যাহাৰ বা বাতিল কৰাৰ ক্ষেত্ৰত

- যদি কাৰ্ডধাৰকয়ে পৰিশোধৰ অন্তিম তাৰিখৰ পৰা 30 দিনৰ ভিতৰত মুঠ বকেয়া ধন বা ন্যূনতম বকেয়া ধন পৰিশোধ নকৰে, তেন্তে ক্ৰেডিট কাৰ্ডখন হটলিষ্ট কৰা হ'ব আৰু যদি কাৰ্ডধাৰকয়ে পৰৱৰ্তী 21 দিনৰ ভিতৰত বকেয়া ধন পৰিশোধ নকৰে, তেন্তে সেই বকেয়া ধন আদায় কৰিবলৈ লগে লগে ফিক্সড ডিপজিটৰ ধন ব্যৱহাৰ কৰা হ'ব।
- অথবা সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ মুঠ বকেয়া ধনৰ পৰিমাণ (য'ত মাচুল, অধিমূল্য বা IDBI বেংকে চৰ্ত অনুসৰি আৰোপ কৰা আন যিকোনো ধন অন্তৰ্ভুক্ত থাকে) যদি যিকোনো সময়তে ক্ৰেডিট সীমাৰ 100% বা তাতকৈ অধিক হয়।

a) সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ মুঠ বকেয়া ধন আদায় কৰিবলৈ কাৰ্ডধাৰক বা ফিক্সড ডিপজিটৰ যুটীয়া ধাৰকৰ ছেভিংছ বেংক (SB), কাৰেণ্ট একাউণ্ট (CA) বা তেওঁলোকৰ নামত থকা (একক বা যুটীয়াভাৱে পৰিচালিত) আন যিকোনো একাউণ্টৰ পৰা ধন কৰ্তন কৰাৰ সম্পূৰ্ণ অধিকাৰ বেংকৰ থাকিব।

b) সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ মুঠ বকেয়া ধন আদায় কৰিবলৈ প্ৰয়োজনীয় ধন যদি ছেভিংছ বেংক/কাৰেণ্ট একাউণ্ট/আন একাউণ্টত নাথাকে, তেন্তে IDBI বেংকৰ সম্পূৰ্ণ অধিকাৰ থাকিব যে তেওঁলোকে সুতসহ সমগ্ৰ ফিক্সড ডিপজিটৰ ধন ব্যৱহাৰ কৰি কাৰ্ডৰ বকেয়া ধন পৰিশোধ কৰিব পাৰিব আৰু এই সন্দৰ্ভত কাৰ্ডধাৰক বা

ফিক্সড ডিপজিটৰ যুটীয়া ধাৰকসকলে বেংকৰ বিৰুদ্ধে কোনো দাবী উত্থাপন কৰিব নোৱাৰিব। এনে ধৰণৰ সমন্বয় বা কৰ্তনৰ পিছত যদি কোনো ধন ৰৈ যায়, তেন্তে সেই ধন কাৰ্ডধাৰক বা ফিক্সড ডিপজিটৰ যুটীয়া ধাৰকসকলক ওভতাই দিয়া হ'ব।

8. অভিযোগ নিষ্পত্তি ব্যৱস্থা

আমাৰ সেৱাত কাৰ্ডধাৰকসকল সন্তুষ্ট নোহোৱাৰ সম্ভাৱনা তেনেই কম, তথাপিও তেনে পৰিস্থিতিত তেওঁলোকে অভিযোগ নিষ্পত্তি ব্যৱস্থাৰ জৰিয়তে নিজৰ অভিযোগসমূহ উচ্চপদস্থ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব পাৰিব।

অভিযোগ নিষ্পত্তিৰ বাবে বেংকৰ তিনিটা স্তৰৰ এক গাঁথনি আছে।

(i) স্তৰ 1 - শাখা/গ্ৰাহক অভিজ্ঞতা কেন্দ্ৰ

(ii) স্তৰ 2 - অভিযোগ নিষ্পত্তি বিষয়া (GRO)

(iii) স্তৰ 3 - মুখ্য ন'ডেল বিষয়া (PNO)

* যদি আপুনি 6 কৰ্মদিনৰ ভিতৰত স্তৰ 1ত কোনো সন্তোষজনক সঁহাৰি পোৱা নাই, তেন্তে আমাৰ GROলৈ grocc@idbi.co.in ঠিকনাত ইমেইল কৰক অথবা মাহৰ 2য় আৰু 4ৰ্থ শনিবাৰৰ বাহিৰে সোমবাৰৰ পৰা শনিবাৰলৈ ৰাতিপুৱা 10 বজাৰ পৰা সন্ধিয়া 6 বজাৰ ভিতৰত 022- 66194367 নম্বৰত কল কৰক। ইয়াৰ উপৰি আপুনি এই ঠিকনাত পত্ৰও লিখিব পাৰে: IDBI বেংক লিমিটেড ক্ৰেডিট কাৰ্ডছ, RBG, 19থ ফ্ল'ৰ, A উইং, IDBI টাৱাৰ, WTC কমপ্লেক্স, কাফ পেৰেড, মুম্বাই – 400 005।

** তাৰোপৰি, যদি আপুনি 4 কৰ্মদিনৰ ভিতৰত স্তৰ 2ত কোনো সন্তোষজনক সঁহাৰি পোৱা নাই, তেন্তে আমাৰ PNOলৈ pno@idbi.co.in ঠিকনাত ইমেইল কৰক অথবা মাহৰ 2য় আৰু 4ৰ্থ শনিবাৰৰ বাহিৰে সোমবাৰৰ পৰা শনিবাৰলৈ ৰাতিপুৱা 10 বজাৰ পৰা সন্ধিয়া 6 বজাৰ ভিতৰত 022 66552227 নম্বৰত কল কৰক। ইয়াৰ উপৰি আপুনি এই ঠিকনাত পত্ৰও লিখিব পাৰে: IDBI বেংক লিমিটেড, ক্ৰেডিট কাৰ্ডছ, RBG, 19থ ফ্ল'ৰ, A উইং, IDBI টাৱাৰ, WTC কমপ্লেক্স, কাফ পেৰেড, মুম্বাই – 400 005।

অভিযোগ দাখিল কৰাৰ 30 দিনৰ ভিতৰত যদি অভিযোগৰ নিষ্পত্তি নহয়, তেন্তে কাৰ্ডৰ সদস্যই তেওঁৰ অভিযোগ নিষ্পত্তিৰ বাবে সংহত লোকপাল আঁচনিৰ অধীনত RBI লোকপালৰ কাৰ্যালয়ৰ কাষ চাপিব পাৰে। এই সন্দৰ্ভত অধিক তথ্য www.idbibank.in ৰ ক্ৰেডিট কাৰ্ড অভিযোগ নিষ্পত্তি ৱেব পৃষ্ঠাত উপলব্ধ আছে।

9. ফাদিলকৰণ

কাৰ্ডৰ সদস্যই স্বীকাৰ কৰে যে বৰ্তমানৰ ব্যৱসায়িক পদ্ধতি অনুসৰি, বেংকে গ্ৰাহকক কোনো জাননী নিদিয়াকৈ ক্ৰেডিট কাৰ্ড সম্পৰ্কীয় যিকোনো তথ্য যিকোনো ক্ৰেডিট ব্যুৰো (বৰ্তমানৰ বা ভৱিষ্যতৰ) ওচৰত সময়ে সময়ে ফাদিল কৰিব পাৰে। ক্ৰেডিট ইনফৰ্মেচন ব্যুৰো ইণ্ডিয়া লিমিটেড (CIBIL) বিত্তীয় প্ৰণালীৰ কাৰ্যক্ষমতা আৰু সুস্থিৰতা উন্নত কৰাৰ বাবে ভাৰত চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এক পদক্ষেপ। এই পদক্ষেপত অংশগ্ৰহণ কৰা সকলো বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানে গ্ৰাহকৰ ডে'টা CIBIL / ক্ৰেডিট ব্যুৰোৰ সৈতে শ্বেয়াৰ কৰাটো প্ৰয়োজনীয় আৰু এই তথ্য ক্ৰেডিট ইনফৰ্মেচন কোম্পানীজ ৰেগুলেচন এক্ট, 2005 ৰ চৰ্ত অনুসৰি প্ৰদান কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত, কাৰ্ডৰ সদস্যক জনোৱা হৈছে যে যদি কাৰ্ডৰ ধন পৰিশোধৰ সময় উকলি যায়, তেন্তে বেংকে যথোচিত জাননী দি গ্ৰাহকৰ ক্ৰেডিট কাৰ্ডৰ ডিফ'ল্ট সম্পৰ্কীয় যিকোনো তথ্য CIBIL আৰু অন্য যিকোনো ক্ৰেডিট ব্যুৰোক (বৰ্তমানৰ আৰু ভৱিষ্যতৰ) ফাদিল কৰিব পাৰে। ধন পৰিশোধৰ সময় উকলি যোৱা কাৰ্ড একাউণ্টৰ বিপৰীতে ধন লাভ কৰাৰ পিছত ডে'টাৰ যিকোনো ৰিফ্ৰেছ বা আপডে'ট বেংকে ধন লাভ কৰাৰ 60 দিনৰ ভিতৰত CIBIL/অন্য ক্ৰেডিট ব্যুৰোত প্ৰতিফলিত হ'ব।

কাৰ্ডৰ সদস্যক আমি এইটোও জনাব বিচাৰোঁ যে বেংকে নিজৰ ইচ্ছানুসাৰে, অভিযোগ সম্পৰ্কীয় বা ধন আদায় সম্পৰ্কীয় কথোপকথনৰ

ক্ষেত্ৰত কাৰ্ডৰ সদস্য আৰু বেংকৰ প্ৰতিনিধিৰ মাজত হোৱা নিৰ্দিষ্ট বাৰ্তালাপসমূহ প্ৰয়োজন সাপেক্ষে ৰেকৰ্ড কৰিব পাৰে।

কাৰ্ডৰ সদস্যগৰাকীৰ যোগ্যতা আৰু বেংকৰ ইচ্ছানুসাৰে তেওঁৰ ক্ৰেডিট কাৰ্ডখন আপগ্ৰেড বা ডাউনগ্ৰেড কৰিব পাৰি। ইয়াৰ উপৰি কাৰ্ডৰ সদস্যগৰাকীক নিৰ্ধাৰণ কৰি দিয়া ক্ৰেডিট লিমিটৰ সালসলনিও ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব পাৰে।

IDBI বেংকে LICCSLৰ সৈতে যুটীয়াভাৱে সহকাৰী–ব্ৰেণ্ডৰ ক্ৰেডিট কাৰ্ড আগবঢ়ায়। এই ব্যৱস্থাৰ অধীনত বেংকে অংশীদাৰ প্ৰতিষ্ঠানৰ সৈতে ৰাজহ বা মাচুল শ্বেয়াৰ কৰিব পাৰে।

গুৰুত্বপূৰ্ণ নিয়ামক তথ্য

(i) এই কাৰ্ডখন ভাৰতৰ লগতে বিদেশতো ব্যৱহাৰৰ বাবে বৈধ। অৱশ্যে, নেপাল আৰু ভূটানত বিদেশী মুদ্ৰাৰ লেনদেন কৰাৰ বাবে ই বৈধ নহয়।

(ii) ভাৰতৰ বাহিৰত লেনদেনৰ বাবে কাৰ্ডৰ ব্যৱহাৰ RBIৰ বিনিময় নিয়ন্ত্ৰণ বিনিয়ম আৰু বৈদেশিক বিনিময় পৰিচালনা অধিনিয়ম, 1999কে ধৰি প্ৰযোজ্য আইন অনুসৰি হ'ব লাগিব। ইণ্টাৰনেট ট্ৰেডিং প'ৰ্টেলৰ জৰিয়তে বিদেশী মুদ্ৰাৰ ব্যৱসায় কৰাটো অনুমোদিত নহয়। যিকোনো উলংঘন বা মানি চলিবলৈ ব্যৰ্থ হোৱাৰ ক্ষেত্ৰত, আপুনি শাস্তিমূলক ব্যৱস্থাৰ বাবে দায়বদ্ধ হ'ব পাৰে। আপোনাৰ ফৰেইন এক্সচেঞ্জ এণ্টাইটলমেণ্ট সম্পৰ্কে আপুনি আপোনাৰ কৰ্তৃত্বপ্ৰাপ্ত ডিলাৰৰ (AD) সৈতে পৰামৰ্শ কৰা উচিত।

(iii) যদি আপোনাৰ ক্ৰেডিট কাৰ্ড একাউণ্টত কোনো ক্ৰেডিট বেলেঞ্চ থাকে, তেন্তে IDBI বেংকৰ ওচৰত এই ক্ৰেডিট বেলেঞ্চ আপোনাক ওভতাই দিয়াৰ অধিকাৰ আছে।

(iv) অনুগ্ৰহ কৰি বিদেশত থকা প্ৰতিষ্ঠানত বিনিয়োগ কৰা বা বিদেশত কোনো প্ৰতিষ্ঠান স্থাপন কৰাৰ দৰে মূলধনী একাউণ্টৰ লেনদেনৰ বিপৰীতে ধন প্ৰেৰণ বা পৰিশোধ কৰিবলৈ ক্ৰেডিট কাৰ্ড ব্যৱহাৰ নকৰিব, কাৰণ RBIৰ 'মুখ্য নিৰ্দেশনা - বিদেশত থকা যুটীয়া উদ্যোগ/সম্পূৰ্ণ স্বত্বাধিকাৰী সহায়ক কোম্পানীত আবাসীৰ দ্বাৰা প্ৰত্যক্ষ বিনিয়োগ'ৰ অধীনত এয়া পুঁজি যোগানৰ কোনো অনুমোদিত পদ্ধতি নহয়।

(v) 1 অক্টোবৰ, 2022 বা তাৰ পিছত জাৰী কৰা নতুন কাৰ্ডৰ ক্ষেত্ৰত, কাৰ্ডধাৰকয়ে 30 দিনৰ ভিতৰত কাৰ্ডখন সক্ৰিয় কৰিব লাগিব। যদি কাৰ্ডধাৰকয়ে PIN ছেট কৰে বা অনলাইন আৰু আন্তঃৰাষ্ট্ৰীয় দৰে বিভিন্ন লেনদেনৰ বাবে সীমা সক্ষম কৰে আৰু/বা ছেট কৰে অথবা যদি কাৰ্ডখন ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰা হয়, তেন্তে কাৰ্ডখন সক্ৰিয় হোৱা বুলি গণ্য কৰা হ'ব।

10. ডিলাইট পইণ্টছ

কাৰ্ডৰ ভেৰিয়েণ্ট আৰু প্ৰডাক্ট ফিচাৰত সংজ্ঞায়িত প্ৰযোজ্য মেট্ৰিক্সৰ ওপৰত ভিত্তি কৰি সকলো যোগ্য লেনদেনত ডিলাইট পইণ্টছ অৰ্জন কৰা হ'ব। লেনদেনৰ মীমাংসা হোৱাৰ পিছতহে ডিলাইট পইণ্টছসমূহ গ্ৰাহকৰ নামত জমা কৰা হ'ব। যদি লেনদেনৰ মীমাংসা নহয় আৰু বিলিং নোহোৱাকৈ ধন মুকলি কৰি দিয়া হয়, তেন্তে কোনো ডিলাইট পইণ্টছ জমা কৰা নহ'ব। তলৰ টেবলত উল্লেখ কৰা লেনদেনৰ শ্ৰেণীসমূহৰ ক্ষেত্ৰত গ্ৰাহকক ডিলাইট পইণ্টছ প্ৰদান কৰা নহ'ব।

পইণ্টৰ ম্যাদ উকলি যোৱাৰ সময়সীমা: গ্ৰাহকৰ নামত জমা হোৱা পইণ্টসমূহৰ ম্যাদ উকলি যোৱাৰ সময়সীমা হ'ব 3 বছৰ। অৱশ্যে, কোনো অভিযানৰ অধীনত বা প্ৰচাৰমূলক অফাৰৰ জৰিয়তে জমা হোৱা পইণ্টসমূহৰ ম্যাদ উকলি যোৱাৰ সময়সীমা কেৱল 1 বছৰ হ'ব।

ডিলাইট পইণ্টছ অৰ্জনৰ পৰা বাদ দিয়া লেনদেনসমূহ: তলত উল্লেখ কৰাখিনিৰ বাহিৰে IDBI ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি কৰা সকলো খৰচৰ বাবে ডিলাইট পইণ্টছ প্ৰদান কৰা হ'ব:

মাৰ্চেণ্টৰ শ্ৰেণী কোড (MCC)	বিৱৰণ
6010	বিত্তীয় প্ৰতিষ্ঠান-হস্তচালিত নগদ বিতৰণ
6011	বিত্তীয় প্ৰতিষ্ঠান-স্বয়ংক্ৰিয় নগদ বিতৰণ
6211	প্ৰতিভূতি-ব্ৰ’কাৰ/ডীলাৰ
6300	বীমা বিক্ৰী, আণ্ডাৰৰাইটিং আৰু প্ৰিমিয়াম
6381	বীমা প্ৰিমিয়াম
9211	আদালতৰ খৰচ (ভৰণ-পোষণ আৰু সন্তানৰ সহায়কে ধৰি)
9222	জৰিমনা
9311	কৰ পৰিশোধ
9399	চৰকাৰী সেৱা-অন্য ঠাইত শ্ৰেণীভুক্ত নোহোৱা
9405	আন্তঃ-চৰকাৰী ক্ৰয়-কেৱল চৰকাৰৰ বাবে
4112	যাত্ৰীবাহী ৰে’লপথ
5960	ডাইৰেক্ট মাৰ্কেটিং-বীমা সেৱা
5541	ছাৰ্ভিচ ষ্টেচন (আনুষংগিক সেৱা থকা আৰু নথকা)
5542	স্বয়ংক্ৰিয় ইন্ধন ডিচপেঞ্চাৰ
5172	পেট্ৰ’লিয়াম আৰু পেট্ৰ’লিয়ামজাত সামগ্ৰী
5983	ইন্ধন ডীলাৰ - কয়লা ইন্ধন তেল, তৰলীকৃত পেট্ৰ’লিয়াম সামগ্ৰী।

যি ক্ষেত্ৰত গ্ৰাহকক ডিলাইট পইণ্টছ প্ৰদান কৰা হৈছে আৰু পৰৱৰ্তী সময়ত লেনদেনটো ৰিভাৰ্ছ কৰা হৈছে বা ধন ঘূৰাই দিয়া হৈছে, তেন্তে সেই একে সংখ্যক পইণ্ট গ্ৰাহকৰ পইণ্ট বেলেঞ্চৰ পৰা কৰ্তন কৰা হ’ব। যদি গ্ৰাহকৰ ওচৰত পৰ্যাপ্ত সংখ্যক পইণ্ট নাথাকে বা পইণ্ট বেলেঞ্চ কৰ্তন কৰিবলগীয়া পইণ্টৰ সংখ্যাতকৈ কম হয়, তেন্তে মুঠ পইণ্ট বেলেঞ্চ নেতিবাচক সংখ্যাত অন্তৰ্ভুক্ত কৰা হ’ব।

দায়লুপ্তি:
* IDBI বেংকে ইয়াৰ সামগ্ৰীসমূহৰ সন্দৰ্ভত নিজৰ ইচ্ছানুসাৰে প্ৰয়োজন অনুসৰি বাহ্যিক সেৱা প্ৰদানকাৰী বা এজেণ্টৰ সেৱা গ্ৰহণ কৰিব পাৰে। এনে সেৱা সম্পূৰ্ণ কৰাৰ একমাত্ৰ দায়িত্ব হ’ব সেৱা প্ৰদানকাৰীৰ।

ক্ৰেডিট কাৰ্ডৰ মাচুল আৰু অধিমূল্যৰ সময়সূচী

(13 April, 2023-ৰ পৰা কাৰ্যকৰী)

1) যোগদান, বাৰ্ষিক আৰু এড-অন কাৰ্ড মাচুল / অন্যান্য

IDBI বেংক কাৰ্ডৰ ভেৰিয়েণ্ট	যোগদান মাচুল – প্ৰাথমিক / এড-অন কাৰ্ড	বাৰ্ষিক মাচুল – প্ৰাথমিক কাৰ্ড (2য় বছৰৰ পৰা)	নৱীকৰণ মাচুল – প্ৰাথমিক / এড-অন কাৰ্ড	বাৰ্ষিক মাচুল – এড-অন কাৰ্ড
এস্পায়াৰ	শূন্য	শূন্য	শূন্য	শূন্য
ৰয়েল	শূন্য	শূন্য	শূন্য	শূন্য
ইউফ'ৰিয়া	শূন্য	₹1499/- (পূৰ্বৱৰ্তী বছৰত সৰ্বনিম্ন 1,50,000/- টকা খৰচ কৰিলে ৰেহাই দিয়া হ'ব)	শূন্য	শূন্য
উইনিংছ	শূন্য	₹899/- (পূৰ্বৱৰ্তী বছৰত সৰ্বনিম্ন 90,000/- টকা খৰচ কৰিলে ৰেহাই দিয়া হ'ব)	শূন্য	শূন্য
ইম্পেৰিয়াম	শূন্য	₹499/- (পূৰ্বৱৰ্তী বছৰত সৰ্বনিম্ন ₹75,000/- খৰচ কৰিলে ৰেহাই দিয়া হ'ব)	শূন্য	শূন্য
LIC - এক্লেট	শূন্য	শূন্য	শূন্য	শূন্য
LIC - লুমিনেট	শূন্য	শূন্য	শূন্য	শূন্য

2) ফাইনেঞ্চ / সেৱা অধিমূল্য

IDBI বেংক কাৰ্ডৰ ভেৰিয়েণ্ট	আৱৰ্তী ঋণ সুবিধাৰ ওপৰত সুত		নগদ অগ্ৰিমৰ ওপৰত সুত	
	মাহিলী হাৰ (প্ৰতি মাহে)	বাৰ্ষিক শতকৰা হাৰ (প্ৰতি বছৰে)	মাহিলী হাৰ (প্ৰতি মাহে)	বাৰ্ষিক শতকৰা হাৰ (প্ৰতি বছৰে)
এস্পায়াৰ	2.90%	34.80%	2.90%	34.80%
ৰয়েল	2.50%	30.00%	2.50%	30.00%
ইউফ'ৰিয়া	2.90%	34.80%	2.90%	34.80%
উইনিংছ	3.40%	40.80%	3.40%	40.80%
ইম্পেৰিয়াম	2.90%	34.80%	2.90%	34.80%
LIC - এক্লেট	3.40%	40.80%	3.40%	40.80%
LIC - লুমিনেট	3.40%	40.80%	3.40%	40.80%

3) অন্যান্য মাচুল আৰু অধিমূল্য

মাচুল আৰু অধিমূল্যৰ প্ৰকাৰ	পৰিমাণ
নগদ অগ্ৰিম লেনদেন মাচুল *	2.5% লেনদেন মাচুল বা 500/- টকা ইয়াৰ ভিতৰত যিটো অধিক হয়
বিলম্বিত পৰিশোধ মাচুল (LPC) (প্ৰতিটো ষ্টেটমেণ্টত, ষ্টেটমেণ্টৰ বাকী থকা ধনৰাশি অনুসৰি)**	ষ্টটেমেণ্টৰ বলেঞ্চেৰ বাবে: □□□□□□□□□□ □□□□□□□ □□□□□□□□□ < = ₹500: □□□□□ > ₹500 ৰ □□□ < = ₹5000□□□□: ₹400 > ₹5000 ৰ □□□ < = ₹10000□□□□: ₹500 > ₹10000 ৰ □□□ < = ₹20000□□□□: ₹750 > ₹20000: ₹950
সীমা অতিক্ৰমৰ মাচুল ***	2.5% সীমা অতিক্ৰমৰ ধনৰাশিৰ ওপৰত, যিটো সৰ্বনিম্ন 500/- টকা হ'ব লাগিব
চেক / অ'টো ডেবিট ৰিটাৰ্ণ মাচুল	₹500/-
IDBI বেংকৰ শাখাত ক্ৰেডিট কাৰ্ডৰ পৰিশোধৰ বাবে নগদ জমা মাচুল	₹200/-
ডুপ্লিকেট ষ্টেটমেণ্টৰ অনুৰোধ	প্ৰতিটো ষ্টেটমেণ্টত 100/- টকা (03 মাহতকৈ পুৰণি হ'লে)
কাৰ্ড সলনি কৰাৰ মাচুল	₹200/-
EMI সুতৰ হাৰ	বাৰ্ষিক 13% (যোগ্যতা থকা সময়সীমা – 3, 6, 9, 12, 18, 24, 30 আৰু 36 মাহ)
EMI ৰূপান্তৰ মাচুল	শূন্য
EMI পূৰ্ব-সমাপ্তি মাচুল	শূন্য
বৈদেশিক মুদ্ৰা ৰূপান্তৰ মাচুল	বেংকে 3.5% আন্তঃ মুদ্ৰা অধিমূল্য লয়
ইন্ধন অধিভাৰ ৰেহাই	**এস্পায়াৰ** - হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 4000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 300/- টকালৈকে ৰেহাই) **ৰয়েল** - হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 5000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 500/- টকালৈকে ৰেহাই) **ইউফ'ৰিয়া** - হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 5000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 500/- টকালৈকে ৰেহাই) **উইনিংছ** - হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 4000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 400/- টকালৈকে ৰেহাই) **ইম্পেৰিয়াম** - হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 4000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 400/- টকালৈকে ৰেহাই) **LIC এক্লেট**- হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 5000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 500/- টকালৈকে ৰেহাই) **LIC লুমিন** - হয় (ন্যূনতম 400/- টকাৰ পৰা সৰ্বাধিক 4000/- টকা পৰ্যন্ত লেনদেনৰ বাবে, প্ৰতি মাহে সৰ্বাধিক 300/- টকালৈকে ৰেহাই)

ৰিৱাৰ্ড ৰিডেম্পচন মাচুল	শূন্য (আটাইবোৰ কাৰ্ড ভেৰিয়েণ্টৰ বাবে)
কাৰ্ড একাউণ্ট বন্ধ কৰাৰ মাচুল	**এস্পায়াৰ** - শূন্য, **ৰয়েল** - শূন্য, **ইউফ'ৰিয়া** - শূন্য, **উইনিংছ** - শূন্য, **ইম্পেৰিয়াম** - ₹999/- যদি জাৰি কৰাৰ এবছৰৰ ভিতৰত বন্ধ কৰা হয় **LIC এক্লেট** - ₹999/- যদি জাৰি কৰাৰ এবছৰৰ ভিতৰত বন্ধ কৰা হয় **LIC লুমিন** - ₹999/- যদি জাৰি কৰাৰ এবছৰৰ ভিতৰত বন্ধ কৰা হয়.
IRCTC টিকট ক্ৰয় অথবা বাতিল কৰাৰ ওপৰত অধিমূল্য	IRCTC / ভাৰতীয় ৰে'লৱেৰ নিৰ্দেশনা অনুসৰি

বেংকে বৰ্তমান বেলেঞ্চ ট্ৰেন্সফাৰৰ সুবিধা প্ৰদান নকৰে। অধিক বিৱৰণৰ বাবে, অনুগ্ৰহ কৰি আমাৰ ৱেবছাইট : www.idbibank.in চাওক

টোকা: সকলো মাচুল আৰু অধিমূল্যত প্ৰযোজ্য সামগ্ৰী আৰু সেৱা কৰ অন্তৰ্ভুক্ত নহয়।